জঙ্ঘাসুৰ বধ

কবি ৰামসৰস্বতী

জঙ্ঘাসুৰ বধ

কবি ৰামসৰস্বতী বিৰচিত

দত্তবৰুৱা ব্ৰাদাৰ্চ এণ্ড কোং

নলবাৰী, কামৰূপ, অসম।

১৯৪৭ চন

মূল্য ৵০ অনা।

প্ৰকাশক—
শ্ৰীমুনীন্দ্ৰনাৰায়ণ দত্তবৰুৱা, বি, এ।
দত্তবৰুৱা ব্ৰাদাৰ্চ এণ্ড কোং
নলবাৰী, কামৰূপ, অসম।

প্ৰবৰ্ত্তক প্ৰিণ্টিং এণ্ড হাফটোন লিঃ, ৫২।৩ বহুবাজাৰ ষ্ট্ৰীট, কলিকাতা
পৰা শ্ৰীফণিভূষণ ৰায়ৰ দ্বাৰা মুদ্ৰিত।

Library books will give you joy for long
if handled carefully with clean hands

শ্ৰীশ্ৰীকৃষ্ণায় নমঃ।

জঙ্ঘাসুৰ বধ

পদ

বন্দনা

জয় জয় ভকতবৎসল মহাদেৱ।
ব্ৰহ্মা হৰ গৌৰী আদি যাক কৰে সেৱ॥
নমো নমো পৰম ঈশ্বৰ গদাধৰ।
ভকতক দায়া কৰি ফুৰা দামোদৰ॥ ১
মাতৃ সৰস্বতী যদি হোৱে কণ্ঠাগত।
তেবে বনপৰ্ব্ব পদ কৰিবো বেকত॥
গৰুড় উড়াও দেখি কীট হুয়া ধাওঁ।
মউপিয়া ছাতকে পৰ্ব্বত তুলি লওঁ॥ ২
তথাপিতো পদ কৰিবাক ভৈল মন।
কৰযোৰ কৰি কহো শুনা সাধুজন॥
যদি বঢ়া টুটা হোৱে কহিলো তোমাত।
নিন্দা নকৰিবা মোক ধৰোঁ চৰণত॥ ৩
জন্মিজয় * বোলে মোৰ মিলিল সংশয়।
বঘাসুৰে বধি পাছে পিতা মহাশয়॥

বৈদৰ্ভ দেশৰ সুৱৰ্ণ কুসুম বনত পঞ্চ পাণ্ডৱৰ বাস

সুৱৰ্ণ-কুসুম-বন দেখিতে বিস্ময়।
সুৱৰ্ণৰ ফল ফুলে জ্বলিয়া আছয়॥ ৪

---

* জন্মেজয়।

তহিতে পশিলা পাণ্ডুৰ পঞ্চ ভাই ।
পত্ৰৰ গৃহক বান্ধি ৰৈলা সেহি ঠাই ॥
বিনা দোষে মহামানী বীৰ বৃকোদৰে ।
জঙ্ঘাসুৰে বান্ধি নিলা আপুন নগৰে ॥ ৫
ঋষিয়ে বোলন্ত তুমি শুনা জন্মিজয় ।
মহাবীৰ ভীমসেন কাকো নুগুণয় ॥
সপ্তদিন হন্তে অন্ন জল একো নাই ।
হেন দেখি বুলিলন্ত যুধিষ্ঠিৰ ৰায় ॥ ৬
শুনিয়োক বৃকোদৰ আমাৰ বচন ।
সাতদিন অন্ন নাহি নৰহে জীৱন ॥
দৈৱৰ বিপাক বিধি লিখিলা কপালে ।
শকুনিতে বাদ মাত্ৰ ভুঞ্জো কৰ্ম্মফলে ॥ ৭
হা হৰি দৈৱকীনন্দন বাসুদেৱ ।
তোমাৰ চৰণে কৰো লক্ষকোটি সেৱ ॥
অৰ্জ্জুন নকুল দুয়ো চলিও লগত ।
ফল মূল কিছুমান লৈয়োক সতত ॥ ৮
কাহাক যে হিংসা নকৰিবা মোৰ বাণী ।
আমাৰ আদেশে চলি যাহা তিনি প্ৰাণী ॥
অবিচাৰে হিংসা কৰি যাতনা ভুঞ্জায় ।
নৰক-পলুই তাক বেঢি বেঢ়ি খায় ॥ ৯
হেন শুনি বৃকোদৰ বুলিলা বচন ।
ত্ৰিভুৱনে যশ গাৱে সত্য পাণ্ডুগণ ॥

হেনয় সত্যত থাকি আমাৰ বিলায়।
সেহি বেলা কৈবে নৈলা যুধিষ্ঠিৰ ৰায়॥ ১০
প্ৰথমতে অসত্যক দেখি সুমধুৰ।
পৰকালে ঘটে তাৰ ঘোৰ অথন্তৰ॥
এহি বুলি যুধিষ্ঠিৰ মৌনহুয়া ৰৈলা।
অৰ্জ্জুন নকুল বৃকোদৰ প্ৰণামিলা॥ ১১
আশীৰ্ব্বাদ কৰিলন্ত যুধিষ্ঠিৰ ৰায়।
ফল বিচাৰন্তে চলিলেক তিনি ভাই॥
যেনমতে সিংহ চলি একযূথে যায়।
সেহি ৰূপে চলিলেক আনন্দ সদায়॥ ১২
অন্ন নাহি তথাপিতো শৰীৰ জ্বলয়।
কিঞ্চিতেকো নাহি দুখ আনন্দ কৰয॥
যাহন্তে দেখিলা এক কুসুম উদ্যান।
সুৱৰ্ণ-কুসুমে পূৰ্ণ দেখিতে সুঠান॥ ১৩
দীৰ্ঘে প্ৰস্থে চল্লিশ হাজাৰ প্ৰহৰৰ।
দেখন্তে সুন্দৰ সিটো থান মনোহৰ॥
তাহাৰ মধ্যত এক সৰোবৰ আছে।
ফলে ফুলে আমোদিত জলে চাৰিকাষে॥ ১৪
কোকিলৰ কুহুঁ কুহুঁ ভ্ৰমৰা গুঞ্জৰে।
জলচৰ পক্ষী সবে তাতে নাদ কৰে॥
পুষ্পচয় চুম্পি মধুকৰে কৰে ৰোল।
কতো উৰে কতো পৰে প্ৰেমত বিভোল॥ ১৫

তমাল মালতী শেফালিকা যূতি জাই ।
বকুল বন্ধূলি কৰবীৰ ধূস্তুৰায় ॥
ইসবক আদি কৰি আছে পুষ্পচয় ।
তাক নকহিলো পদ বাহুল্যক ভয় ॥ ১৬
হেন দেখি তিনি ভাই গৈলা লৰালৰি ।
সমীপ চাপিলা তিনি জনে ৰঙ্গ কৰি ॥
ভীমসেনে বোলে ইটো কিনো বিপৰ্য্যয় ।
ইটো সৰোবৰ কোনে নিৰ্ম্মিয়া আছয় ॥ ১৭
অৰ্জ্জুনে বোলন্ত দাদা শুনা মহাশয় ।
ইহাৰ নামক মই জানোহো নিশ্চয় ॥
অসংখ্য মৎস্য কূৰ্ম্ম নাহিকে উপাম ।
জানিবা ইহাৰ দাদা হ্রদাধিপ নাম ॥ ১৮
এহি কথা মাতে হায় তীৰত চাপিলা ।
স্বৰ্গত অধিক স্থান হৰিষ মিলিলা ॥
এহিমতে পাৰত ফুৰন্ত তিনি প্ৰাণী ।
কুহুঁ কুহুঁ শুনি তৈত কোকিলৰ ধ্বনি ॥ ১৯
বৈশম্পায়ন বদতি শুনা জন্মিজয় ।
তাত পাছে যেন কথা ভৈল বিপৰ্য্যয় ॥
বৈদৰ্ভ দেশৰ ৰাজা জজ্ঘাসুৰ বীৰ ।
পৰম প্ৰচণ্ড তাৰ হাজাৰেক শিৰ ॥ ২০
জজ্ঘাসুৰ মহাৰাজা বীৰ ভয়ানক ।
বনত ভ্ৰমিয়া ফুৰে চাহিয়া মৃগক ॥

আপুনাৰ বনত পশিলা মহাৰাজা।
লগত আছয় তাৰ অসংখ্যাত প্ৰজা॥ ২১
দেৱতা মনুষ্য যদি পাৱে সিথানত।
তাক ধৰি বান্ধি নিয়া থৱে নগৰত।
শিৱৰ ভকত ৰাজা ত্ৰিভুৱনে জানি।
নিতে এক গোট বলি দেয় মহামানী॥ ২২
মলয় পৱন বহে কোকিলে নাদয়।
ৰেণু ৰেণু দেখিলেক মনুষ্য আছয়॥
অনন্তৰে ৰাজা গৈয়া সমীপ চাপিলা।
তিন গোট মনুষ্যক সাক্ষাতে দেখিলা॥ ২৩
দূতক চাহিয়া ৰাজা বচন বুলিলা।
এক্ষণে আনাহা বুলি আজ্ঞা কৰি দিলা॥
নাসিলে আনিবি ধৰি কহিলো নিশ্চয়।
আমাক অৱজ্ঞা কৰি পশু উজাৰয়॥ ২৪
সিকাৰণে মৃগক নপালো সঞ্চ কৰি *।
এহি বুলি ৰাজা আছে মনে ক্ৰোধ ধৰি॥
তেতিক্ষণে দূত গৈয়া সমীপ চাপিলা।
জঙ্ঘাসুৰ নৃপতিৰ আজ্ঞা শুনাইলা॥ ২৫
ৰাজ-আজ্ঞা মানি তোৰা উঠিয়ো ত্বৰিত।
উলটি চাহিলা ভীমে হুয়া সশঙ্কিত॥

---

* সঞ্চকৰি—সঁচলৈ, বিধানলৈ, অৰ্থাৎ এটাপ।

কাহাৰ আজ্ঞাক কহা দুৰ্ম্মতি পাপীষ্ঠ ।
ত্ৰিভুৱন-বীৰে খাটে আমাৰ দ্বাৰত ॥ ২৬
মোহোৰ আগত আসি কাৰ আজ্ঞা কহ ।
পতঙ্গে আসিয়া অগনিত দেয় জাহ ॥
পাণ্ডুবংশে ধৰ্ম্মৰাজা দেৱৰ দুৰ্জ্জয় ।
ভীমসেন নাম মোৰ জগতে জানয় ॥ ২৭
ভীমৰ বচনচয় দূতে শুনিলেক ।
ঘৃত পায়া অগনি তেখনে জ্বলিলেক ॥
অৰ্জ্জুন নকুল দুয়ো আছে নিদ্ৰাপাৰি ।
ভীমক গৰ্জিয়া গালি পাৰে আগবাঢ়ি ॥ ২৮
নৃপতিৰ আজ্ঞা ভঙ্গ আমাক গৰ্জ্জস ।
কালে গ্ৰাসিলেক তোক এতেকে পলাস ॥
মুনিয়ে বোলন্ত শুনিয়োক জন্মিজয় ।
চাৰিয়ো দূতৰ নাম জানিবা নিশ্চয় ॥ ২৯
নৰান্তক, কালান্তক, দুৰ্ব্বল, প্ৰৱল ।
এহি চাৰিগোট দূত আতি মহাবল ॥
মহাকোপে চাৰি দূতে আগবাঢ়ি গৈলা ।
হাতে ধৰি চাৰি একেলগে বল দিলা ॥ ৩০
বৃহৎ শিকল যেন কেহো নলাৰয় ।
সেহিমতে ভীমক লাৰিবে নপাৰয় ॥
মুষ্টিক ধৰিয়া ভীমে হাতক আছাৰি ।
নৰান্তক কালান্তকে দিলা দলি মাৰি ॥ ৩১

তুহাস্তক ধৰি মুষ্টি কৰিলা প্ৰহাৰ।
নৰান্তক কালান্তক গৈলা যমঘৰ॥
নিকালিল ৰুধিৰ বহয় ধাৰাসাৰে।
দুৰ্ব্বল প্ৰবল দুই পলান্ত লৰৰে॥ ৩২
নৃপতিৰ আগে গৈয়া কৰিলা গোচৰ।
শুনিয়োক মহাৰাজ অৱস্থা আমাৰ॥
তযু আজ্ঞা শিৰে ধৰি আমি চলি গৈলো।
তুমি যি বুলিলা আমি তাহাকে কৰিলো॥ ৩৩
গৰ্জ্জিয়া আমাক বীৰে চক্ষু ঘূৰাৱয়।
তাৰ নাম ভীমসেন জগতে জানয়॥
একগোট শিৰ মাত্ৰ আতি নিৰুপম।
ঔৰ ফুল সম চক্ষু দেখি যেন যম॥ ৩৪
দেখি আথে বেথে বান্ধিবাক গৈলো উঠি।
তুহাস্তৰ শিৰত মাৰিলা বজ্ৰ-মুষ্টি॥
মুষ্টিৰ প্ৰহাৰে তুহাস্তৰ গৈলা প্ৰাণ।
তাৰ মহত্তালি দেখিলোহো বিদ্যমান॥ ৩৫

জঙ্ঘাসুৰৰ লগত ভীমৰ যুদ্ধ আৰু বন্ধন

শুনি জঙ্ঘা আৰ্ত্তবাৰে ক্ৰোধে জ্বলি গৈলা।
ৰথ সমন্বিতে প্ৰজা সমস্তে চলিলা॥
ৰথ এৰি ভূমিপাৱে কোপে চলি যায়।
দেখি বায়ুসুতে আছে তাহাকেই চায়॥ ৩৬

অৰ্জ্জুন নকুল দুয়ো আছে নিদ্ৰা যায় ।
ই গোট ৰাক্ষস বুলি ভীমে নিচিনয় ॥
অনন্তৰে দুয়োজনে খেদি লৈলা লাগ ।
গৰ্জ্জিয়া ফোঁফায় যেন ক্ৰোধে মত্ত নাগ ॥ ৩৭
প্ৰথমতে মুষ্টি কৰি ভীম মহাবলী ।
হৃদয়ত মাৰিলেক বজ্ৰৰ বাটলী * ॥
তেতিক্ষণে মহাবেগে অসুৰেও উঠি ।
ভীমৰ হিয়াত হানিলেক বজ্ৰ-মুষ্টি ॥ ৩৮
মূৰ্চ্ছা গৈলা বৃকোদৰ গাৱে নাহি তত ।
কতোক্ষণ স্থিৰ হৈয়া ৰহিলা ভূমিত ॥
চেতন লভিয়া বীৰ কোপত উন্মত্ত ।
গৰ্জ্জিয়া বোলয় কথা আসে যেন মত ॥ ৩৯
কুমাৰৰ চাক যেন ঘূৰিয়া ফুৰয় ।
মাৰিবাক লাগি দুয়ো ছিদ্ৰ নপাৱয় ।
কতোক্ষণে বায়ু-সুতে ছিদ্ৰক লভিলা ।
পাকত ফুৰন্তে তাৰ ভৰি পিছলিলা ॥ ৪০
কাতি হুয়া জঙ্ঘাসুৰে পৰিবে চাহিলা ।
মহাবলী হেতু তেহো থমকি ৰহিলা ॥
ভীমেও ক্ৰোধত ছিদ্ৰ চাই ফুৰে বেগে ।
একগোট মাথাত ধৰিলা সেহি ছেগে ॥ ৪১

---

* বাটলী = বটালী

বজ্ৰৱৎ অসুৰৰ ছাল আতি টান।
জাম্প দিয়া অসুৰৰ ধৰিলন্ত কাণ॥
ভীমক অসুৰে ধৰিলেক টান কৰি।
ধৰণীত পৰি কৰে বাগৰা বাগৰি॥ ২২
কাটি কৰি জঙ্ঘাসুৰে ধৰিলা ভীমক।
মাৰিলেক কীল যতমান পাৰিলেক॥
চৌৰাশী হাজাৰ মান কীলক মাৰিলা।
কতোক্ষণ থাকি ভীমে ওফন্দি উঠিলা॥ ২৩
দুই হাজাৰেক বাহু মেলি মহাবলী।
ভীমক আটিলা যেন হস্তীয়ে কদলী॥
ৰাক্ষসৰ-বাহুৰ আটাৰ * ছোট পাই।
কেস্কাস্তে ৰহিলা বীৰ অচেতন হুই॥ ২৪
মাধৱৰ অংশ ভীম পৱন-নন্দন।
সিকাৰণে তাৰ হাতে নগৈল পৰাণ॥
তাত পাছে জঙ্ঘাসুৰে ভীমক ধৰিয়া।
সাঙ্গি বান্ধি লৈয়া গৈলা নগৰ লাগিয়া॥ ২৫
ৰাক্ষস পশিলা গৈয়া আপুন নগৰ।
বাজহুয়া দেখয় সমস্ত নাৰীনৰ॥
বেশ্যানাৰী আছে তাত চৌৰাশী হাজাৰ।
সমস্তে বেঢ়িয়া চাৱে একমুণ্ড-নৰ॥ ২৬

* আটা = চেপা,

কেহো জনা বোলে অৰে শুনিয়োক বাই ।
এক-মুণ্ড-নৰ স্বপনত দেখা নাই ॥
এক-মুণ্ড-মনুষ্যক দেখিবাক ভাল ।
আমাৰেসে স্বামী সব পৰম জঞ্জাল ॥ ৪৭
ৰূপ গুণ দেখি নাৰীগণ মোহ ভৈলা ।
নৃপতিক ভয়ে কেহো কাষ নচাপিলা ॥
ধৰি বান্ধি ব্যাধে পশু নেই যেনমতে ।
পতাশালে থৈলা নিয়া অসংখ্যক দূতে ॥ ৪৮
পৰম-উৎসৱ আনন্দৰ সীমা নাই ।
অসংখ্যাত ৰক্ষা দিলা বন্দীয়াৰ ঠাই ॥
স্নান কৰি মহাৰাজ লভিয়া হৰিষ ।
অনন্তৰে শিৱগৃহে ভৈলন্ত প্ৰবেশ ॥ ৪৯
হৰক বন্দিয়া ৰাজা ভোজন কৰিলা ।
পাত্ৰ মিত্ৰ সমে ৰাজা সভাত বসিলা ॥
শুনিয়োক সভাসদ বনপৰ্ব্ব পদ ।
একচিত্ত মনে সবে হৈয়া নিশৱদ ॥ ৫০
বীৰৰ উপৰে বীৰ কালৰ যে কাল ।
সত্বৰে হৰিক ভজা এৰা আল জাল ॥
পৰম ভকত জানা পঞ্চ যে পাণ্ডৱ ।
ভকতৰ মহিমাক বৰান্ত মাধৱ ॥ ৫১
ভাৰ সংহৰিলা সবে হুয়া অৱতাৰ ।
এতেকে ভক্তৰ যশ কৰিবা প্ৰচাৰ ॥

নজানো ভজন নজানোহো স্তুতি নতি।
আপুনাৰ গুণে তুষ্ট হৈয়ো লক্ষ্মীপতি ॥ ৫২
সন্তৰ সঙ্গত থাকি চিন্তা অন্ত-কাম।
কায়মনোবাক্যে সবে বোলা ৰাম ৰাম ॥ ৫৩

দুলড়ী

ভীমৰ অনুপস্থিতিত যুধিষ্ঠিৰ আদিৰ শোক।

ৰাজা জন্মিজয়, মুনিত পুছয়,
শুনিয়োক মোৰ কথা।
অৰ্জ্জুন নকুল, নিদ্ৰা পৰি ৰৈলা,
কহা যেন ভৈল তথা ॥
মুনিয়ে বোলয়, শুনা জন্মিজয়,
নৃপ পৰীক্ষিত-সুত।
পাছে দুই ভাই, জাগিয়া দেখয়,
মিলি আছে অদভুত ॥ ৫৪
অৰ্জ্জুন বদতি, নকুল শুনিয়ো,
ভীম দাদা গৈলা কৈক।
জানিলো অৱশ্য, বিঘাত মিলিল,
তিনি ভাই আহো ঐক ॥

শোকতে বিহ্বল, ভৈলন্ত নকুল,
উত্তৰ দিবাক নাৰি * ।
পাছে দুই ভাই, বনে বনে চাই,
দাদা বুলি গেড়ি পাৰি ॥ ৫৫
নকুলে বোলয়, দাদা ধনঞ্জয়,
কাহো কথা সাৰোত্তৰে ।
বঘাসুৰ বীৰ, দুৰ্জ্জয় শৰীৰ,
জিনিলা তাক সমৰে ॥
ত্রিভুবন বীৰে, কম্পি থাকে ডৰে,
হেন দাদা বৃকোদৰ ।
তাহান ইহাত, হত ভৈল বুলি,
পতিয়াবে কোন নৰ ॥ ৫৬
ৰাজাৰ আজ্ঞায়, আমি তিনি ভাই,
ফলক ফুৰো বিচাৰি ।
ফলকো নাপাইলো, হ্রদক দেখিলো,
থাকিলোহো নিদ্রা পাৰি ॥
আপদ কালত, বুদ্ধি ভৈল হত,
গুণিয়া নপাওঁ মনে ।
দৈৱৰ বিপাকে, লিখিলা কপালে,
ফুৰো আমি বনে বনে ॥ ৫৭

* নাৰি = নাপাৰি ।

দেৱ নাৰায়ণ, দৈৱকী-নন্দন,
জগতৰে অন্তকাৰী।
প্ৰণামো গোৱিন্দ, পদ অৰবিন্দ,
নিয়োক নাথ উদ্ধাৰি॥
যেবে কোন নৰে, পৰদেশে যায়,
নিদ্ৰা পাৰিয়া থাকয়।
অৱশ্য দুৰ্গতি, হৈবেক সম্প্ৰতি,
মিলিবে দুখ সদায়॥ ৫৮
এহি বুলি দুই ভাই চলি যায়,
নাহি দুইৰো সুস্থ গতি।
দ্ৰৌপদী সহিতে, যথাত আছন্ত,
যুধিষ্ঠিৰ মহীপতি॥
দাদা নাহি বুলি, কিমতে কহিবো,
নৃপতিৰ আগে যাই।
ভবি নচলয়, ধীৰে ধীৰে যায়,
পাই নৃপতিৰ ঠাই॥ ৫৯
ৰাজাৰ আগত দণ্ডৱতে পৰি,
কহিবাক নপাৰয়।
দেখি যুধিষ্ঠিৰ, আকুলিত বৰ,
দুইয়া দুইক পুছয়॥
মহাবীৰ বৰ, বাপু বৃকোদৰ,
লগে নাহি কৈক গৈলা।

দুই দণ্ড মান, মাতিবে নপাৰি,
মৌন হুয়া দোহোঁ ৰৈলা ॥ ৬০
কতো বেলি দুই, চেতন লভিয়া,
ৰাজাৰ আগত পৰি ।
চাহিবে নলাগে, ঝাণ্টে * কাটিয়োক,
এবে কহো সত্য কৰি ॥
তোমাৰ আজ্ঞায়, গৈলো তিনি ভাই,
ফল বিচাৰিবে প্রতি ।
ফলক নপাইলো, হ্রদক দেখিলো,
ফুৰো তিনি লীলা গতি ॥ ৬১
ক্ষুধায়ে তৃষ্ণায়ে, হাৰা-শাস্তি ভৈলো,
নিদ্রায়ে আসি পীড়িলা ।
মৃত্যু সম ভৈলা, উদিশ নপালো,
ভীম দাদা কৈক গৈলা ॥
চেতন লভিয়া, গেৰিয়ায় ফুৰু,
বিচাৰি নপাইলো তৈত ।
মনে গুণি চাই, চিন্তিলো উপায়,
জানো আসি আছে ঐত ॥ ৬২
এতেক বোলন্তে, শোক উপজিলা,
যুধিষ্ঠিৰ মহীপতি ।

---

* ঝাণ্টে — শীঘ্রে ।

বন-জুই যেন, দহিয়া আসয়,
গাৱত নাহিকে শ্ৰুতি ॥
দ্ৰৌপদী কান্দন্ত, পতিক সুমৰি,
সহদেৱে কৰে শোক ।
প্ৰাণভাই মোৰ, দাদা বৃকোদৰ,
কিমতে বঞ্চিলা মোক ॥ ৬৩
এহিবুলি সহ- দেৱে মূৰ্চ্ছা গৈলা,
কান্দন্ত পাছে নকুল ।
অৰ্জ্জুনে বোলন্ত, সবাতে বিচাৰি,
যমক কৰো নিৰ্ম্মূল ॥
কৃষ্ণক সুমৰি, ৰৈলা চিন্তা কৰি,
ৰাত্ৰি চাৰি ঘটি গৈল ।
শুনা জন্মিজয়, কহিবো নিশ্চয়.
ভীমে তেতে যি কৰিলা ॥ ৬৪
শুনা সভাসদ, বনপৰ্ব্ব-পদ,
সবাত শোক আছয় ।
মাধৱক ভজি, আন আশা তেজি,
এৰা সবে যম দায় ॥
যমৰ কিঙ্কৰে, নৰক ভুঞ্জাইবে,
ৰাখিবাৰ কেহো নাই ।
গুৰু-উপদেশে, ভজিয়ো হৰিক,
তৰণ সেহি উপায় ॥ ৬৫

তেন মাধৱৰ, চৰণ পঙ্কজ,
সদায় মনে ৰহোক।
জনমে জনমে, গুৰুৰ চৰণে,
সদা ৰতি নচাৰোক॥
মই মূঢ়মতি, নভৈল ভকতি,
একোৰে পাত্ৰ নভৈলো,
পদ কৰো বুলি, বিষয়ত ভুলি,
মহা অধোগামী ভৈলো॥ ৩৬
সমাজিক জন, নিন্দা নকৰিবা,
আপুনাৰ কৰা কাম।
দান্তে তৃণ ধৰি, দণ্ডৱতে পৰি,
ডাকি বোলা ৰাম ৰাম॥ ৩৭

পদ

গৰুড়ৰ দ্বাৰা ভীমৰ বন্ধন মোচন

বৈশম্পায়ন বদতি শুনা জন্মিজয় ।
এহিমতে ভীম তৈত বন্দী হুয়াছয় ॥
সহায় নাহিকে কেহো ভৈলা একেশ্বৰ ।
কৃষ্ণক চিন্তিবে লৈলা লভি অথন্তৰ ॥ ৬৮
কৃষ্ণেসে আমাক সুখ-দুখ ভুঞ্জাৱন্ত ।
এহি বুলি চিন্তিবে লাগিলা মহাসন্ত ॥
পৰম কৃপালু তুমি দৈৱকী নন্দন ।
চৰণে শৰণ লৈলো ছাড়িয়ো বন্ধন ॥ ৬৯
নমো ভগৱন্ত বাসুদেৱ লক্ষ্মীকান্ত ।
নমো বিশ্বম্ভৰ বিষ্ণু বিশ্বক পালন্ত ॥
নমো অধীশ্বৰ মোক কৰা পৰিত্ৰাণ ।
প্ৰভাতে অসুৰে প্ৰভু মোৰ লৈবে প্ৰাণ ॥ ৭০
এহিমতে ভীমে স্তুতি কৰিলা বিস্তৰ ।
পদবাহুল্যক ভয়ে নকৈলো অপৰ ॥
ভীমৰ স্তুতিত কৃপাময় চক্ৰপাণি ।
গৰুড়ক মাতি প্ৰভু বুলিলন্ত বাণী ॥ ৭১
সত্বৰে চলিয়া যাহা বৈদৰ্ভ দেশক ।
বন্ধন ছাড়িয়া শীঘ্ৰে উদ্ধাৰা ভক্তক ॥
কৃষ্ণক প্ৰণামি পক্ষীৰাজ গৈলা লৰি ।
জজ্ঘাসুৰ নৃপতিৰ পশিলা নগৰী ॥ ৭২

পতাশালে বন্দী হুয়া আছে বৃকোদৰ ।
পাখ-ছাটে উৰুৱালা ৰক্ষা ৰাক্ষসৰ ॥
ভীমৰ বন্ধন পক্ষীৰাজে ছিণ্ডিলন্ত ।
মুক্ত হুয়া ভীমে গৰুড়ক নমিলন্ত ॥ ৭৩
গৰুড়ক বোলে তুমি থাকা এহি থান ।
অসুৰৰ কিনো পাওঁ গদা ধনুৰ্ব্বাণ ॥
এহিবুলি ভীমসেন অভ্যন্তৰে গৈলা ।
দুই ৰথ সহিতে সাৰথি তুলি লৈলা ॥ ৭৪
মনত হৰিষ বেগে গৈলা সেহি ছেগে ।
গৰুড়ৰ সমীপক গৈলা মহাবেগে ॥
নগৰৰ ঠান ভান সমস্তে কহিলা ।
শুনি পক্ষীৰাজে তাঙ্ক আশ্বাস কৰিলা ॥ ৭৫
অনন্তৰে গৰুড় সহিতে মহাবলী ।
যুধিষ্ঠিৰ সমীপক শীঘ্ৰে গৈলা চলি ।

জঙ্ঘাসুৰৰ নগৰৰ বৰ্ণনা

মুনিয়ে বোলন্ত ৰাজা শুনা বৰ্ত্তমান ।
ৰাক্ষসৰ নগৰৰ কহো ঠান ভান ॥ ৭৬
চাৰিদিকে চাৰিখান পৰ্ব্বত আছয় ।
অযুত যোজন সিটো উচ্ছ্ৰিত হোৱয় ॥
বহলে তিনিশত অধিক প্ৰহৰৰ ।
তাহাৰ ভিতৰে আছে সাতগোটা গড় ॥ ৭৭

আঠশত দ্বাৰ তাৰ জানা জন্মিজয় ।
ৰাক্ষস দানৱ তাত বহুত আছয় ॥
দ্বাৰত লিখিত আছে শিৱমূৰ্ত্তি যত ।
তাহাৰ মহিমা মই বৰ্ণাইবো কত ॥ ৭৮
অসংখ্যাত ধন-ৰত্ন শোভিত কৰয় ।
তাক নকহিলো পদ বাহুল্যক ভয় ॥
নৃপতি বোলয় মোৰ মিলিল সংশয় ।
ভীমে পাছে কি কৰিলা কহিয়ো নিশ্চয় ॥ ৭৯
মুনি বোলে এবে শুনা কহো নৰেশ্বৰ ।
মাধৱে বঢ়ান্ত যশ পঞ্চ পাণ্ডৱৰ ॥
সুৱৰ্ণ-কুসুম-বন-মাজত পশিলা ।
স্তুতি নতি মিনতি যে পক্ষীক কৰিলা ॥ ৮০
কৃষ্ণৰ আদেশে বন্ধ ছাড়িলা আপুনে ।
কোটি জন্মে শুজিবে নপাৰো ইটো ঋণে ॥

ভীমৰ চাৰি ভাইৰলগত মিলন আৰু কথোপকথন ।

অনন্তৰে গৰুড় গৈলন্ত কৃষ্ণপাশে ।
ভীম চলি গৈলা চাৰি ভাই যৈত আছে ॥ ৮১
সেহিবেলা দিবাকৰ উদিত ভৈলন্ত ।
ভীম চাপিলন্ত যায় পত্ৰৰ গৃহত ॥
ৰথ হন্তে নামি বৃকোদৰ মহাবলী ।
জানু পাৰি নৃপতিক কৰিলা সেৱলি ॥ ৮২

সাৰটি ধৰিলা যুধিষ্ঠিৰ মহাৰাজ।
অনন্তৰে দ্ৰৌপদী অৰ্জ্জুন ভৈলা বাজ ॥
সেহিবেলা সহদেৱ নকুলে দেখিলা।
পঞ্চভাই দ্ৰৌপদীৰ আনন্দ মিলিলা ॥ ৮৩
হাত মেলি স্বৰ্গ যেন লভি পঞ্চভাই।
পৰম হৰিষ আনন্দৰ সীমা নাই ॥
ৰঙ্গহুয়া চাৰিভাই সঙ্কেতে পুছিলা।
যেন কথা ভৈল ভীমে সকলো কহিলা ॥ ৮৪
বৈদৰ্ভ দেশৰ ৰাজা জজ্ঘাসুৰ বীৰ।
মৃগ মাৰি ফুৰে সিটো দুন্দুৰ অসুৰ ॥
হেনকালে পাঞ্চি দিলা চাৰি দূত তথা।
শুনা যেন মিলিলেক কহো পাছ কথা ॥ ৮৫
চাৰি দূতে নৃপতিৰ আজ্ঞাক কহিলা।
ক্ষুধা তৃষ্ণা হুই দুই ভাই নিদ্ৰা গৈলা ॥
আজ্ঞা সুশুনিলো তান দ্বিগুণে কহিলা।
বান্ধিবাক লাগি বীৰ খেদিয়া আসিলা ॥ ৮৬
হেন দেখি মুষ্টি মই কৰিলো প্ৰহাৰ।
নৰান্তক কালান্তক গৈলা যমঘৰ ॥
দেখিয়া অসুৰে দশগুণে গৈলা ৰাগি।
উছলা দশন আছে ললাটত লাগি ॥ ৮৭
পৰ্ব্বত আকাৰ সিটো ভয়ঙ্কৰ বীৰ।
ধাতু উড়ি যায় দেখি ভয়ঙ্কৰ শিৰ ॥

অঙ্গাৰ সদৃশ গাৱ কুৰূপ বিকট।
নাক মুখ, দেখিলে হোৱয় মূৰ্দ্ধ-স্ফোট॥ ৮৮
স্থূল জঙ্ঘা ভেঙ্গুৰা ভেঙ্গুৰি ভৰি হাত।
নখ, মুখ, চক্ষুক দেখন্তে ভয় ভীত॥
দুই হাজাৰেক বাহু দেখিতে বিস্ময়।
পাছক নচাহি দাদা মই গৈলো ধায়॥ ৮৯
প্ৰাণক টাকিয়া মই যুজিবাক গৈলো।
অন্যায়ে ধৰিল মোক বলে নুৱাৰিলো॥
ধৰি বান্ধি নিয়া মোক থৈল পতাশালে।
অসংখ্যাত সৈন্য ৰক্ষা দিলা ভালে ভালে॥ ৯০
কৃষ্ণক চিন্তিবে লৈলো মন তুষ্ট ভৈল।
কৃষ্ণে পাঠি দিলা যেৱে গৰুড় চলিল॥
ৰক্ষী উৰুৱায় মুক্ত কৈলা পক্ষীৰাজে।
পশিলো তেখনে মই অন্তঃপুৰ মাজে॥ ৯১
দুই ৰথ আনিলো সাৰথি গদা বাণ।
কৃষ্ণপাশে গৰুড় গৈলন্ত বিদ্যমান॥
ৰথ সমন্বিতে মই কৃষ্ণৰ প্ৰসাদে।
তৰিয়া আসিলো দাদা দুৰ্ঘোৰ আপদে॥ ৯২

ভীম, সহদেৱ আদিৰ ৰণযাত্ৰা

যুদ্ধে চলি যাওঁ বিলম্বক পৰিহৰি।
আজ্ঞা দিয়া যাওঁ মই বিদৰ্ভ নগৰী॥

হেন সময়ত দুই সাৰথি থেকিল।
যাঠি যাঠি মুণ্ড ৰাজা তেখনে দেখিল॥ ৯৩
হেন দেখি অৰ্জ্জুনৰ উল্লাসিত মন।
যুধিষ্ঠিৰ চৰণত পশিলা শৰণ॥
আজ্ঞা দিয়ো শীঘ্রে দাদা পূৰ্ব্বাপৰ চায়।
ৰাক্ষসক যমপুৰে কৰোঁহো বিদায়॥ ৯৪
নাহি তাৰ হাতে মৰি যাওঁ স্বৰ্গলোক।
হেন জানি শীঘ্রে মোক বিদায় দিয়োক॥
এহি বুলি সাৰথিক আশ্বাস কৰিলা।
সাৰথিও পাছে নৃপতিক প্ৰণামিলা॥ ৯৫
তাৰ নাম সহদেৱ ৰণত পাৰ্গত।
সখি বুলি একেলগে উঠিলা ৰথত॥
পূৰ্ণিমা সাৰথি সমে উঠিলা নকুল।
সখি বুলি সাৱটিলা আনন্দে আকুল॥ ৯৬
শুনিয়োক সখি মই কহো নিষ্ঠ কৰি।
তাক মাৰি তোমাক পাতিবো অধিকাৰী॥
সাৰথিও বোলে মই কহো সত্য কৰি।
ত্ৰিভুৱনে ৰথ ইটো বায়ু নোহে সৰি॥ ৯৭
শীঘ্রগতি চলে আক কেহো নপাৰয়।
যৈকে মন কৰে ৰথ তথাকে চলয়॥
আঠিশত দ্বাৰ তাৰ পৰম বিক্ৰম।
শিৱ শুক্ৰ নগৰ অদ্ভুত পৰাক্ৰম॥ ৯৮

আঠশত দ্বাৰ তাৰ পৰম নিপুণ।
শিৱৰ প্ৰাসাদে সিটো আতি অনুপম ॥
অসংখ্যাত ৰাজা জিনি আছে জঙ্ঘাসুৰ।
দুই হাজাৰেক বাহু দেখি চমৎকাৰ ॥ ৯৯
সাৰথি আছিলোঁ আমি জয়ন্তা ৰাজাৰ।
তাঙ্ক মাৰি সৈন্য মানে আনিলা অপাৰ ॥
হয় হস্তী প্ৰজা যত বৃষভ মাৰ্জাৰ।
পঞ্চম বৎসৰ আছো তাহাৰ নগৰ ॥ ১০০
আমাৰ কৰ্ম্মৰ ফলে তোমাক দেখিলো।
মিলিল সুদিন মোৰ এবেসে জানিলো ॥
পৰম ধাৰ্ম্মিক তোৰাসব পাণ্ডুগণ।
মাধৱৰ ভক্ত তোৰা ভাৰসংহাৰণ ॥ ১০১
পৰম বৈষ্ণৱ নিজ গুৰুত ভকত।
তাহাক বধিতে তুমি আপুনি শকত ॥
এহিবুলি দুই ৰথ সাৰথি ডাকিলা।
মন-পৱনৰ বেগে তেখনে চলিলা ॥ ১০২
আকাশত দেৱগণে কৰে জয় জয়।
বিদ্যাধৰে গাৱে গীত আনন্দে নাচয় ॥
জয় জয় দামোদৰ দেৱ হৃষীকেশ।
মনত জপিয়া ভৈলা বিদৰ্ভে প্ৰবেশ ॥ ১০৩
বৈশম্পায়ন কহে শুনিয়ো জন্মিজয়।
তাত পাছে যেন ভৈল কহিবো নিশ্চয় ॥

পতাশালে জঙ্ঘাসুৰে দূত আদেশিলা।
শিৱক পূজিবে ৰাজা সম্ভাৰ কৰিলা॥ ১০৪
দূতে দেখিলন্ত ৰক্ষা বন্দীয়া যে নাই॥
হা হা কিনো ভৈল বুলি ভৈলন্ত বিস্ময়॥
আথে বেথে নৃপতিক জান দিলা যাই।
শুনা মহাৰাজ ৰক্ষা বন্দীয়া যে নাই॥ ১০৫
দূতৰ শুনিয়া বাক্য ৰাজা মূৰ্চ্ছা গৈলা।
সেহি সময়ত আসি নিদ্ৰা দেখা দিলা॥
শুনা জঙ্ঘাসুৰে যিটো স্বপ্নক দেখিলা।
নিদ্ৰাৰ জাগিয়া পাছে চেতন লভিলা॥ ১০৬
ঔৰ ফুল পিন্ধে কতো বেলি সর্পে খায়।
তৈল ঘসি দক্ষিণক উলঙ্গতে যায়॥
হেনয় স্বপ্নক দেখি বিস্ময় গণিল।
ঘৃত সহযোগে যেন অগনি জ্বলিল॥ ১০৭
গুণি গাস্থি স্থিৰ নোহে দগধ শৰীৰ।
পূজা নকৰিলা ৰাজা শিৱৰ মন্দিৰ॥
একোমতে নুগুচয় বিকল স্বভাৱ।
নগৰ উপৰে কাক গৃধ্ৰৰ আৱাৱ॥ ১০৮
মনত জানিলা ৰাজা হৈব অথন্তৰ।
ফেকুৱায় কৰে ৰাৱ বোল কুকুৰৰ॥
বিমঙ্গল দেখি কাৰো মনে সুখ নাই।
হৰি হৰি কি কৰিবো নেদেখো উপায়॥ ১০৯

PLEASE HANDLE ... CAREFULLY

সিবেলা পাণ্ডৱে পাইলা প্ৰথমৰ দ্বাৰ।
সেহি দ্বাৰে দ্বাৰী আছে ছাব্বিশ হাজাৰ॥
সহদেৱ নকুলৰ ধাতু গৈল উৰি।
হেন দেখি ভীমসেন গৈলা আগবাঢ়ি॥ ১১০
দ্বাৰীক চাহিয়া বীৰে বচন বোলয়।
শুন অৰে দ্বাৰীগণ কথা কহোঁ মই॥
শিৱক পূজিবে বুলি আমাক ৰাখিলা।
সিহেতু আমাক ৰাজা যুদ্ধ আদেশিলা॥ ১১১
যুদ্ধ খুজি চাৰি ভাই আছো ৰথে চড়ি।
যুদ্ধক আসোক ৰাজা কহা ঝাণ্ট কৰি॥
ন গৈলে নহৈব ভাল যাৱা শীঘ্ৰকৰি।
বুলিলা পাণ্ডৱে বহু উপালম্ভ কৰি॥ ১১২
উপালম্ভ কৰি সবে হাসিলা বিস্তৰ।
হৰ হৰ শব্দ উঠিলন্ত নিৰন্তৰ॥
কাৰো ষাঠি মুণ্ড কাৰো বিংশতি হোৱয়।
ত্ৰিংশ দশকত কৰি টুটা নাহিকয়॥ ১১৩
আলোচিয়া দ্বাৰী দূত ভেজিলা তেখন।
তিনিপ্ৰহৰেক মান ভৈল উপসম॥
কৰযোৰে আগত পৰিলা জানু পাৰি।
মুখ্য মুখ্য মন্ত্ৰীগণ উঠিলা ঝঙ্কাৰি॥ ১১৪
নৃপতি বোলন্ত মই যাইবো নিশ্চয়।
মানুষক বিনাশিয়া পঠাবো যমালয়॥

দুৰ্জ্জয় বাহুৰ বলে শূলে বিন্ধি মাৰি।
বিপক্ষক বধি যাবো ইথানক এৰি॥ ১১৫
এহি বুলি মহাৰাজ তুলিলা নিশান।
অসংখ্যাত সেনাগণ ভৈলা আগুয়ান॥
ৰথ আনা বুলি সাৰথিক আদেশিলা।
তেতিক্ষণে ৰথখান আগতে দেখিলা॥ ১১৬
ৰথ সাজি প্ৰণামিয়া কহিলা সাৰথি।
হাজাৰ মুখৰ ৰথ ভয়ঙ্কৰ আতি॥

জজ্ঝাসুৰৰ ৰণ যাত্ৰা

বৈশম্পায়ন বদতি শুনা জন্মিজয়।
প্ৰহৰেক পন্থমান ৰথখান হয়॥ ১১৭
নিঃসংশয় সেনাপতি আৰো মৃগাসুৰ।
উষ্ট্ৰত চড়িয়া যান্ত দুই মন্ত্ৰীবৰ॥
কালনাভ, নিপাতক দুই মন্ত্ৰীৰাজ।
সিংহত চড়িয়া দুই বীৰ ভৈলা সাজ॥ ১১৮
এহিমতে সাজু ভৈলা আনো বীৰগণ।
হয় হস্তী ব্যাঘ্ৰ ছাগ শৃগাল হৰিণ॥
মহিষ মেথন উট গৰ্দ্দভ মাৰ্জ্জাৰ।
বৰাহক আদি পশু চলিল অপাৰ॥ ১১৯
হংস, বক, গৃধ্ৰ, চেঙ্কা, পেঙ্কা, কৈৰা, মৈৰা,।
হাৰগিলা, চিলা, টুনী, টুপছি, টোকোৰা॥

জঙ্ঘাসুৰ বধ

আন বাহনত চড়ি যান্ত, বীৰচয়।
আনন্দত পৃথিবীত ভৰি নপাতয়॥ ১২০
দেও দিয়া ৰথত চড়িলা মহাৰাজ।
প্ৰজাগণ মানে নগৰৰ ভৈলা বাজ॥
বিমঙ্গল মিলিলেক আগতে ৰাজাৰ।
বেঢ়ি দীৰ্ঘৰাৱ পাৰে তিনটা মাৰ্জাৰ॥ ১২১
আকাশত কাক গৃধ্ৰ ৰাৱ ফেকুৱাৰ।
তথাপিতো উলটি নৰহে দুৰাচাৰ॥
নগৰৰ বাজ হৈয়া জঙ্ঘাসুৰ বীৰ।
ঘনে ঘনে ঝঙ্কাৰয় হাজাৰেক শিৰ॥ ১২২

পাণ্ডৱ-জঙ্ঘাসুৰৰ যুদ্ধ

পাণ্ডৱৰ সন্মুখে ৰাখিলা ৰথখান।
দুৰ্জ্জন মানুষ মাৰি পেশো যম-থান॥
এহি বুলি মহাৰাজ ধৰিলা নিশান।
শুনি বৃকোদৰ ভৈলা কোপে কম্পমান॥ ১২৩
মহাক্ৰোধে ভীমসেনে বোলন্ত বচন।
গুৰু, ব্ৰাহ্মণক তই মাৰিলি দুৰ্জ্জন॥
মোক বান্ধি থৈলি তই দুৰ্ম্মতি অসুৰ।
সিটো দোষে ইবেলি পশিবি যমপুৰ॥ ১২৪

এতেক বোলন্তে জজ্ঘাসুৰে খেদি গৈলা ।
নিঃসংশয় মৃগাসুৰ দুইকো বুলিলা ॥
উটত চড়িয়া মৃগাসুৰ সেনাপতি ।
আহ বুলি খেদি গৈলা অৰ্জ্জুনক প্ৰতি ॥ ১২৫
আথে বেথে অৰ্জ্জুনে ধৰিলা শৰচয় ।
আকাশত দেৱগণে কৰে জয় জয় ॥
মৃগাসুৰে বোলে অৰে এক মুণ্ড নৰ ।
সহা মোৰ ছোট বুলি জুৰিলন্ত শৰ ॥ ১২৬
চাৰিপাত শৰ মৃগাসুৰ মহাবলী ।
শৰীৰৰ বলে হানিলেক উৰ্দ্ধে তুলি ॥
অৰ্জ্জুনে হানিলা দেখি একপাত বাণ ।
প্ৰথমতে চাৰি শৰ কৰিলা নিৰ্য্যাণ ॥ ১২৭
শৰ বৃথা ভৈল হেন দেখি মৃগাসুৰে ।
দুইপাত শৰ প্ৰহাৰিলা খৰতৰে ॥
পৱন সঞ্চাৰে মহাবেগে খেদি গৈলা ।
অৰ্জ্জুনৰ বুকে পৰি পিঠি-বাজ ভৈলা ॥ ১২৮
মূৰ্চ্ছা যায় ৰথত পৰিল ধনঞ্জয় ।
মৰিল বুলিয়া মৃগাসুৰেও নাদয় ॥
মুহূৰ্ত্তেকে ধনঞ্জয় সুস্থ হৈয়া বেগে ।
দশ শৰ হানি পঠাইলা সেহি ছেগে ॥ ১২৯
মৃগাসুৰে হানি এক শৰ তীক্ষ্ণতৰ ।
পন্থতে কাটিলা অৰ্জ্জুনৰ দশ শৰ ॥

পুনঃ প্ৰহাৰিলা ষাঠিগোট বাণ ডাটি * ।
ষাঠি শৰে ষাঠিশিৰ পেহ্লাইলা কাটি ॥ ১৩০
ছট্ ছট্ কৰি তাৰ শিৰ ছিঙ্গি গৈল ।
সেহি ছেগে শৰ যায় পাতালে পশিল ॥
সাতসাগৰৰ জলে কৰিলেক স্নান ।
পুনৰপি প্ৰবেশিলা অৰ্জ্জুনৰ তূণ ॥ ১৩১
মৃগাসুৰ মৰি যবে গৈলা যমালয় ।
ইন্দ্ৰে বোলে ধন্য বীৰ মোহোৰ তনয় ॥
নিঃসংশয় সেনাপতি খেদি গৈলা বেগে ।
দশগোট শৰ হানিলেক সেহি ছেগে ॥ ১৩২
দেখি অৰ্দ্ধচন্দ্ৰ শৰ অৰ্জ্জুনে হানিলা ।
নিঃসংশয়ে সেহি শৰ পন্থতে কাটিলা ॥
অসুৰেও দেখিলন্ত শৰ শূন্য ভৈলা ।
জয় ভিণ্ডিপাল শক্তি হাতে তুলি লৈলা ॥ ১৩৩
মহাকোপে ধনুখান টঙ্কাৰ কৰিলা ।
মূলমন্ত্ৰ পঢ়ি শক্তিপাত প্ৰহাৰিলা ॥
চলন্তে তাহান মুখে অগনি বঝায় † ।
ৰশ্মি লাগি তাৰাগণ খসি খসি যায় ॥ ১৩৪
চমৎকাৰে খেদি গৈলা জয় ভিণ্ডিপাল ।
মুখে ধৰি অৰ্জ্জুনক নিলা তৎকাল ॥

ডাটি = দৃঢ়ভাৱে ।
বঝায় = ওলায় ।

আকাশত ফুৰায় শক্তিমুখ এৰি দিলা।
মুৰ্চ্ছা যায় ধনঞ্জয় ৰথত পৰিলা॥ ১৩৫
দেখি ক্রোধে নকুল হানিলা ত্রিংশ বাণ।
জয়ভিণ্ডিপালক কৰিলা সাতখান॥
হেন দেখি অসুৰেও দিলা শৰজাক।
হেয় কৰি নকুলেও নগণিলা তাক॥ ১৩৬
শিল্পী-মুখী শৰ চাৰিপাত বাছি লৈলা।
গাৱে বল আছে মানে সন্ধানে হানিলা॥
দশশিৰ কাটি নিঃসংশয় প্রাণে গৈলা।
ষোলশত মান তাৰ সৈন্যক মাৰিলা॥ ১৩৭
পাক মাৰি শিল্পীমুখী পাতালে পশিলা।
সাগৰত স্নান কৰি তূণে আসি ৰৈলা॥
আকাশত দেৱগণে কৰে জয় জয়।
ধন্য ধন্য মহাবীৰ মাদ্রাৰ তনয়॥ ১৩৮
কালনাভ মন্ত্রীৰ হৃদয়ে নসহিলা।
ধনু ধৰি মহাবেগে আগ বাঢ়ি গৈলা॥
সিংহত চড়িয়া কালনাভ মহাবীৰ।
দশন চোবায় ঘনে কম্পাৱয় শিৰ॥ ১৩৯
মহাবেগে বাণ প্রহাৰিয়া খেদি গৈলা।
দেখিয়া নকুল বীৰ হিয়া পাতি দিলা॥
মাৰ মাৰ কালনাভ শক্তি আছে যত।
সেহি ছেগে হানিলেক শৰ একশত॥ ১৪০

নকুলেও পন্থত কাটিলা তাৰ শৰ।
ষাঠি শৰে ভেদিলা তাহাৰ কলেৱৰ ॥
তমোময় দেখি কালনাভ মহীতলে।
ফুৰি ফুৰি পৃথিবীত পৰিলা নিঢালে ॥ ১৪১
দুৰ্ঘোৰ শৰদে কালনাভ গৈলা প্ৰাণে।
দেখিয়া নিপাতে খেদি গৈলা তেতিক্ষণে ॥
আগবাঢ়ি প্ৰহাৰিলা হাজাৰেক বাণ।
নকুলেও একেবাৰে কৰিলা নিৰ্য্যাণ ॥ ১৪২
নিপাতেও দেখিলন্ত শৰ ব্যৰ্থ ভৈলা।
পুনৰপি হাজাৰেক বাণ প্ৰহাৰিলা ॥
বিম্বা-শৰদে আকাশ গৈলন্ত ছানিয়া।
নকুলে পথত সিটো দিলন্ত কাটিয়া ॥ ১৪৩
শৰ ব্যৰ্থ দেখি শক্তিপাত প্ৰহাৰিলা।
নকুলৰ হৃদে পৰি পিঠি সৰকিলা ॥
নকৰয় কটাক্ষ নকুল মহাবলী।
হৃদয়ৰ ৰুধিৰ বহয় হলাহলি ॥ ১৪৪
মহাক্ৰোধে নকুলে হানিলা বায়ুবাণ।
উৰুৱায় নিলা তাক সহস্ৰ যোজন ॥
আকাশত ফুৰাইলে ঘোৰ বায়ুবাণে।
পৃথিবীত পৰি নিপাতৰ গৈলা প্ৰাণে ॥ ১৪৫
বৈশম্পায়ন বদতি শুনা জন্মিজয়।
শূল ধৰি খেদি গৈলা জজ্ঘা দুৰাশয় ॥

থাক থাক ৰহ ৰহ কৰেহো দোহাৰ * ।
শূলে হানি তেহোক পেশিবো যমঘৰ ॥ ১৪৬

দেখিয়া অৰ্জ্জুনে শৰ হানিলা প্ৰচণ্ড ।
হাততে কাটিলা শূল হাজাৰেক খণ্ড ॥

হেন দেখি জঙ্ঘাসুৰ মহাকোপে তাতি ।
অৰ্দ্ধচন্দ্ৰ প্ৰহাবিলা অৰ্জ্জুনক প্ৰতি ॥ ১৪৭

নগণিলা ধনঞ্জয় ৰাক্ষসৰ শৰ ।
ভল্ল শৰ হানিলা অৰ্জ্জুন ধনুৰ্দ্ধৰ ॥

অসুৰে দেখন্ত ভল্লশৰে আসে খেদি ।
তীক্ষ্ণতৰ শৰে তাক পেহ্লাইলা ছেদি ॥ ১৪৮

হেন দেখি অৰ্জ্জুনে হানিলা দুই শৰ ।
নাকটি কাটিলা যায় জঙ্ঘা অসুৰৰ ॥

কাটিলা নাকটি ৰাক্ষসেও নজানিলা ।
তীশাল বিশাল অৰ্জ্জুনক প্ৰহাৰিলা ॥ ১৪৯

অৰ্জ্জুনে হানিলা পাশ-ভূষ দুই বাণ ।
তীশাল-বিশালক কৰিলা থান থান ॥

এহিমতে দুই বীৰে কৰন্ত সংগ্ৰাম ।
ইটো যুদ্ধ-পটন্তৰ নাহিক উপাম ॥ ১৫০

অৰ্জ্জুনে হানিলা বাণ চল্লিশ হাজাৰ ।
চাৰি কোটি হানিলন্ত জঙ্ঘা বীৰবৰ ॥

কৃষ্ণক হৃদয়ে ধৰি পাছে সব্যসাচী ।
শত অযুতেক মান প্ৰহাৰিলা বাছি ॥ ১৫১

* দোহাৰ = ধ্বংস ।

নৱ কোটি ষাঠিলক্ষ চৌৰাশী হাজাৰ।
একবাৰে প্ৰহাৰিলা সৱমা-কুমাৰ॥
যশক আশায়ে জঙ্ঘাসুৰে প্ৰহাৰিলা।
চৈদ্ধতাল বাণ একপাত নাৰাখিলা॥ ১৫২
দুইৰো শৰে আকাশ ঢাকিলা নিৰন্তৰ।
আপোনাক নেদেখয় নাই পৰাপৰ॥
অৰ্জ্জুনৰ শৰ সব উফৰিয়া পৰে।
ৰাক্ষসসবত পৰি যূথে যূথে মৰে॥ ১৫৩
পাছে পাৰ্থ প্ৰহাৰিলা জয়পতি বাণ।
আপোন পৰৰ বাণ কৰিলা নিৰ্য্যাণ॥
কৰিলা আন্ধাৰ যেন ৰবিৰ কিৰণ।
হেন দেখি আনন্দ লভিলা দেৱগণ॥ ১৫৪
সেহি বেলা জঙ্ঘাসুৰ বীৰ বলিয়াৰ।
অৰ্জ্জুনক লাগি সিটো হানিলা পঞ্জাৰ॥
অদৃশ্য ভৈলন্ত বীৰ ৰথ সমন্বিতে।
মেঘক ঢাকিলা যেন প্ৰচণ্ড আদিত্যে॥ ১৫৫
সেহিবেলা নকুলে হানিলা পঞ্চবাণ।
সিটো শৰে কাটিলেক বাহু পাঞ্চখান॥
ছোট পাইয়া ৰাক্ষসে প্ৰহাৰিলা শৰ।
পাখাময় ভৈলা নকুলৰ কলেৱৰ॥ ১৫৬
ৰাক্ষসৰ প্ৰহাৰে নকুল মহাবীৰ।
মূৰ্চ্ছা গৈল ৰথমাজে বহয় ৰুধিৰ॥

পূর্ণিমা সাৰথি আঙ্কোৱালি তুলি ধৰি।
কিছু সুস্থ কৰিলেক বচনে সাদৰি॥ ১৫৭
শ্রুতি পায়া নকুলেও ধনুক ধৰিলা।
দুইপাত অর্দ্ধচন্দ্র গুণত জুৰিলা।
মহাবেগে দুইশৰ ক্রোধে নিক্ষেপিলা।
ধনু সমন্বিতে বৃদ্ধ আঙ্গুলি ছেদিলা॥ ১৫৮
ধনুক কাটিয়া অসংখ্যাত শৰ মাৰি।
ছাইলা দশো দিশে যেন প্রভাত-কুঁয়ৰা* ॥
অসুৰেও দুই শৰ প্রহাৰ কৰিলা।
নকুল বীৰক ৰথ সমে শালি থৈলা॥ ১৫৯

ভীম-জঙ্ঘাসুৰৰ যুদ্ধ

বৈশম্পায়ন বদতি শুনা নৰেশ্বৰ।
গদা তুলি খেদি গৈলা বীৰ বৃকোদৰ॥
হেন দেখি জঙ্ঘাসুৰে পৰিলা ভূমিত।
অদৃশ্য স্বৰূপে গৈয়া চাপিলা সমীপ॥ ১৬০
হুঁ হুঁ বুলি কোব বসাইলা জঙ্ঘাসুৰে।
ভীমেও প্রহাৰ কৰিলন্ত গুৰুতৰে॥
দুইৰো দুই গদা পাৰি আর্ত্তৰাৱ কৰি।
দুয়োজনে প্রহাৰয় প্রমত্তকেশৰী॥ ১৬১

*কুঁয়ৰা—কুঁৰী, কুঁৱলী।

ছেগে বৃকোদৰে গদা দৃঢ়মুষ্টি ধৰি।
হৃদয়ত কোবক বসাইলা টান কৰি॥
পৰিলেক গদা তান শৰীৰ সন্ধানে।
অগ্নিৰ কণিকা উফৰিলা তেতিক্ষণে॥ ১৬১
তথাপিতো জঙ্ঘাসুৰে দুখ নপাৱয়।
ভীমৰ গদাৰ কোবে পৰ্ব্বত ভাঙ্গয়॥
ভীমক মাৰিবে মনে ফুৰে ছিদ্র চাই।
মদমত্ত নাগে যেন মাথাক কম্পায়।
গদাৰ উপৰে গদা পৰে বাৰম্বাৰ।
অগনিৰ কণিকা নিকালে জাতিষ্কাৰ॥
ছেগ চাই বৃকোদৰে পাছ ভিতি চাইলা।
ৰথৰ ইন্দুৰ সব কোবাইবে লৈলা॥ ১৬৪
পৰম প্ৰচণ্ড বৃকোদৰ বীৰবৰ।
তান কোবে লোম নৰলয় ইন্দুৰৰ॥
জঙ্ঘাসুৰে বোলে কিনো আচল দুৰ্জ্জয়।
একমুণ্ড-নবগোট পাকত ঘূৰয়॥ ১৬৫
মায়া সম বেগে বীৰ ঘূৰিয়া ফুৰয়।
চল পালে কোনোমতে কোবেক দিয়য়॥
তাৰ চলে ঘূৰোঁ বুলি অসুৰে হাসিলা।
তেতিক্ষণে বৃকোদৰ মাথাত চড়িলা॥ ১৬৬
মাথাত চড়ন্তে জঙ্ঘাসুৰে নজানিলা।
ভীমৰ হাতৰ গদা হুঁসকি পৰিলা॥

ইমুণ্ডত জাম্প দিয়া সিমুণ্ডত পৰে।
চৰ মাৰে ঘণ্টালাৰে কতো হুঁম ছাড়ে॥ ১৬৭
নিছিণ্ডয় শিৰ তাৰ যেন বজ্রৱত।
ইভিতি সিভিতি কৰে প্রচণ্ড লাঠিত॥
এহিমতে আজুৰি ছিঙ্গিবে নপাৰিলা।
জীউ আদ্য মাথা যায় তাহাত চড়িলা॥ ১৬৮
নাসিকাৰ পন্থ যেন গিৰিৰ গহ্বৰ।
তাত পশিলেক যায় বীৰ বৃকোদৰ॥
সেহি পন্থে ভীমসেন গৈলন্ত উজায়।
লোমত ধৰিয়া সিটো তালু প্রবেশয়॥ ১৬৯
পদ্মাসন ভিৰি ভীমে তহিতে বসিলা।
চৌৰাশী হাজাৰ মান কীল বসাইলা॥
তথাপিতো জজ্ঝাসুৰে তাক নজানিলা।
কৈক গৈলা বুলিয়া দশো দিশে চাইলা॥ ১৭০
জাম্প দিয়া বৃকোদৰ নামিলা ভূমিত।
পুনৰপি গদা ধৰি চাপিলা সমীপ॥
দেখি জজ্ঝা অসুৰেও গদা লৈলা দাঙ্গি।
শেন যেন জাম্প দিলা কপোতক লাগি॥ ১৭১
পুনৰপি গদাশ্রমে যুজে দুই বীৰ।
গদাৰ প্রহাৰে তান গাত্র নোহে স্থিৰ॥
পূৰ্ণিমা দিবসে যেন উথলে সাগৰ।
সিমত শৰীৰে তান গদাৰ প্রহাৰ॥ ১৭২

তিনি প্ৰহৰেকমান সমৰ কৰিলা।
গদাৰ কোবত তাৰ গাৱে বিহৰিলা॥
অসুৰৰ গাৱে ৰুধিৰৰ বহে নদী।
তথাপিতো ভীমক থৈলেক শূলে বিন্ধি॥ ১৭৩
মৃতকৰ প্ৰায় ভৈল বীৰ বৃকোদৰ।
ৰুধিৰে দগধ অতিশয় কলেৱৰ॥
নচলয় ভৰি হাত নিশ্বাস কাঢ়য়।
সেহি বেলা শশধৰ ভৈলন্ত উদয়॥ ১৭৪
পাছ গুচি জঙ্ঘাসুৰ উঠিলন্ত ৰথ।
অনন্তৰে নকুল ভৈলন্ত কিছু সুস্থ॥
সেহি বেলা পূৰ্ণিমা সাৰথি নকুলৰ।
আজুৰিয়া শেলপাত লৈলা হৃদয়ৰ॥ ১৭৫
নকুলেও সুস্থ হুয়া বসিলা ৰথত।
অৰ্জ্জুন ভীমক দুই নেদেখি আগত॥
সহদেৱ সমে দুই আসিলন্ত তথা।
শুনা মহাৰাজ পাছে যেন ভৈল কথা॥ ১৭৬
ভীমক বিচাৰি চাৰি বীৰ চলি গৈলা।
পৰি আছে ভীমসেন দূৰতে দেখিলা॥
সমীপ চাপিলা যায় মনে শোক কৰি।
কাঢ়িলন্ত শূলপাত চাৰিয়ো আজুৰি॥ ১৭৭
উঠিয়া বসিলা ভীম কৃষ্ণক সুমৰি।
ৰথত চড়িলা যায় সৈন্যৰূপ ধৰি॥

অৰ্জ্জুনক বিচাৰি গৈলন্ত অনন্তৰে।
বন্দী হুয়া আছে বীৰ শৰৰ পঞ্জাৰে* ॥ ১৭৮
শৰৰ পঞ্জাৰ সব কাতিয়া পেলালা।
ৰথ সমন্বিতে সব্যসাচী বাজ ভৈলা ॥
ক্ষুধায়ে তৃষ্ণায়ে আতি ভৈল অশকত।
নচলয় হাত ভৰি মৃত্যুক সাক্ষাত ॥ ১৭৯
যুদ্ধত পাণ্ডৱ সব ক্ষুধাতুৰ ভৈলা।
অমৃত পায়স আনি শশধৰে দিলা ॥
অমৃত পানত ৰূপ দ্বিগুণ বাঢ়িলা।
আপুনাৰ থানে চন্দ্ৰ উলটিয়া গৈলা ॥ ১৮০
সেহি বেলা চাৰি ভাই মহাবেগে গৈলা।
অসুৰৰ আগে যায় গৰ্জ্জিবাক লৈলা ॥
জঙ্ঘাসুৰে বোলে কিনো মানুষ দুৰ্জ্জয়।
শূলে বিন্ধি থওঁ তভো উঠিয়া বসয় ॥ ১৮১
কৈত আছা কবন্ধ আসিয়ো শীঘ্ৰ কৰি।
মৰা মানুষক নিয়া যমৰ নগৰী ॥
ৰাজাৰ আদেশে খেদি গৈলা তেতিক্ষণে।
নৱ লক্ষ কবন্ধ আসিলা তেতিক্ষণে ॥ ১৮২
চতুৰ্দ্দশী ৰাত্ৰি ভৈল চন্দ্ৰমা উদয়।
মহাজ্যোতিৰ্ম্ময় ৰাত্ৰি দেখি দিনময় ॥

---

*পঞ্জাৰ—পঞ্জৰ, সজা।

সাতঘটিমান ৰাত্ৰি ভৈলন্ত তথাত।
আন কবন্ধক ভীমে দেখিলা সাক্ষাত॥ ১৮৩
হৃদয়ত দুই চক্ষু যেন তৰঙ্গিনী।
হলাহল কৰে যেন প্ৰলয় অগনি॥
বৃক্ষৰ সদৃশ হাত বহুদূৰ প্ৰায়।
ভীমক দেখিয়া সবে গৰ্জ্জিয়া আসয়॥ ১৮৪
হেন দেখি ভীমে পাছে মনে দৃঢ় কৰি।
ভাঙ্গা ছিঙ্গা গদা-ধনু আনিলা বিচাৰি॥
চতুৰ্ভিতি বেঢ়ি ভীমে গড়ক বান্ধিলা।
তাহাৰ মধ্যত এক উত্তৰী ৰাখিলা॥ ১৮৫
মনত আলোচি ভীমে চুপি আছে বেগে।
শুনি গান্ধি শেষে খেদি গৈলা এক ছেগে॥
পাছক নুগুণি সবে উত্তৰী পশিলা।
দেখিয়া ভীমৰ মনে আনন্দ মিলিলা॥ ১৮৬
তেতিক্ষণে ভীম যায় হেঙ্গাৰ বান্ধিলা।
উজানৰ মাছ যেন প্ৰহাৰ কৰিলা॥
ৰাজাৰ বস্ত্ৰক যেনমতে ধোৱে ধৰি।
সেহিমতে ভীমে মাৰে গিক থাক কৰি॥ ১৮৭
তিনিপ্ৰহৰেকমান কোবাই আসিলা।
নৱ লক্ষ কবন্ধক নিগুটি কৰিলা॥

নিগুটি — নিৰ্মূল, সংহাৰক।

কবন্ধ বধিয়া বৃকোদৰ বীৰবৰ।
পূৰ্ব্ব দিশে চাহন্ত উদিত দিবাকৰ॥ ১৮৮
বোলন্ত আমাৰ আজি গুচিল বিলায়।
ভগৱন্ত দিবাকৰ ভৈলন্ত উদয়॥
ভাতৃ সকলৰ মই দেখিবোহো মুখ।
এবেসে জানিলো মোৰ দূৰ ভৈল দুখ॥ ১৮৯
জজ্ঘাসুৰে দেখয় কবন্ধ ভৈল হত।
দুৰ্জ্জয় মানুষ ইটো জানিলা মনত॥
এহি বুলি ধনু ধৰি যুজিবাক লৈলা।
সেহিকালে মাদ্ৰীসুত দ্বিগুণে আসিলা॥ ১৯০
সহদেৱ সমে ভৈল সমৰ দুষ্কৰ।
শুনা একমনে পৰীক্ষিতৰ কুমাৰ॥
প্ৰথমতে সহদেৱে ধনু খান টানি।
মহাকোপে দশশৰ পঠাইলা হানি॥ ১৯১
জজ্ঘাসুৰে দেখি প্ৰহাৰিলা ভীমবাণ।
সহদেৱ-শৰে তাক কৰিলা নিৰ্য্যাণ॥
তাত পাছে কণিয়ালী বাণ প্ৰহাৰিলা।
সহদেৱ বীৰৰ যে কিৰীটি কাটিলা॥ ১৯২
উলটিয়া সহদেৱ ৰথত বসিলা।
কঙ্কালৰ বস্ত্ৰ কাঢ়ি মাথাত বান্ধিলা॥
মহাক্ৰোধে সহদেৱে টঙ্কাৰিলা ধনু।
কিৰীটিৰ শোকে শৰ প্ৰহাৰিলা পুনু॥ ১৯৩

তূণত নাৰাখি বাণ হানিলা সকল।
শ্রাৱণৰ মেঘ যেন বৰষিলা জল॥
সহদেৱ হাতে ছিদ্র ভৈলা শিৱনাথ।
বৈন্য দেখি সর্পে যেন নমাইলা মাথ॥ ১৯৪
কুশগাছ দিবাক গাৱত সন্ধি নাই।
সেহিমতে অসুৰৰ ঢাকি সর্ব্বত্রয়॥
যেন বৃষ্টিজলে ঢাকিলেক পর্ব্বতক।
সেহি ৰূপে ঢাকিয়া ধৰিলা অসুৰক॥ ১৯৫
ছেদি ভেদি শৰসব বাজ হৈয়া গৈল।
সবে শৰ কাটিলন্ত তনু গোট বৈল॥
বাহু কাটিলেক অসংখ্যাত শৰ মাৰি।
কেৱল ৰহিলা তাৰ আদ্য হাত ভৰি॥ ১৯৬
বাসৱৰ শৰে যেন বিদাৰি পর্ব্বত।
গেৰু ধাৰা বহিয়া যে পৰয় ভূমিত॥
সেহিমতে ৰুধিৰ বহয় গাৱ ভেদি।
খাল বাম ভৰি যেন বহি গৈল নদী॥ ১৯৭
কটা হস্ত মানে তাৰ পৰিলা ভূমিত।
দেখি সব সেনাগণ ভৈলন্ত অদ্ভুত॥
যেন থোপ হুয়া আছে শালবৃক্ষবৰ।
ৰাক্ষসৰ বাহু ভৈল পর্ব্বত আকাৰ॥ ১৯৮
উপৰত শিৰ সব যেন ভৈল শৃঙ্গ।
ৰবিৰ ৰশ্মিক হেন দেখিতে বিৰিঙ্গ *॥

* বিৰিঙ্গ = চমৎকাৰ।

শিৰে অলঙ্কাৰ তান দেখিতে উপাম।
অদ্যাপি জ্বলয় তাৰ বাহু-গিৰি নাম॥ ১৯৯
ভৈলন্ত পৰম যুদ্ধ আতি ভয়ঙ্কৰ।
জুঙ্গলি ছিঙ্গিয়া মুখ উলটি ৰথৰ॥
খণ্ড খণ্ড কৰিলন্ত বাণগণে ছেদি।
বথ সব উটি যায় শোণিতৰ নদী॥ ২০০
কিৰীটি কুণ্ডল মণি মুণ্ড সমে পৰি।
তেজে তল বল হুয়া আছে দান্ত পাৰি॥
কহন্ত বৈশম্পায়ন শুনা জন্মিজয়।
পাচ ভৰি নকৰয় জঙ্ঘা দুৰাশয়॥ ২০১
প্রশংসা কৰিলা সহদেৱক বিস্তৰ।
ছাৱাল দেখিলো যেন সৰ্পৰ কুমাৰ॥
হুঁ হুঁ বুলি শাল বৃক্ষ ধৰি মহাবলী।
ভীমক খেদিয়া গৈল থাক্ থাক্ বুলি॥ ২০২
ভীমেয়ো লৈলেক এক গোট তৰুশাল।
অন্তকালে প্রকাশয় যেন মহাকাল॥
অসুৰে বসালা কোব আতি গুৰুতৰ।
পাকত ঘূৰিয়া বৈল বীৰ বৃকোদৰ॥ ২০৩
ছিদ্র পাই পুনৰপি কোবক বসালা।
ভীমৰ হাতৰ বৃক্ষ খণ্ড খণ্ড ভৈলা॥
শূন্যহাত হুয়া ভীমে গুণয় মনত।
জাম্প দিয়া ধৰয় অসুৰৰ বৃক্ষত॥ ২০৪

ইভিতি সিভিতি টানাটানি কৰে দুই।
ৰাক্ষসৰ পৰাক্ৰম ভীম সম নুই ॥
মনত গুণিয়া ভীমে উপায় চিন্তিলা।
শিশুবুদ্ধি এক তান মনত পৰিলা ॥ ২০৫
আগে বল দিয়া টানি পাছে এৰি দিলা।
শাল বৃক্ষ সমে ৰাজা নিঢলে পৰিলা ॥
আথে বেথে অন্য তৰু লৈলা বৃকোদৰ।
দুনাই দুইৰো ঘোৰ মিলিল সমৰ ॥ ২০৬
পূৰ্ব্বে যেন যুদ্ধ ভৈল বলী বাসৱৰ।
সেহিমতে যুজে জঙ্ঘাসুৰ বৃকোদৰ ॥
গদা-যুদ্ধে যুজিলন্ত চৈদ্ধ দণ্ডমান।
ভাগৰিলা দুই বীৰ পীড়া পায়া টান ॥ ২০৭
একখণ্ড শিলা জঙ্ঘাসুৰে আলাগিয়া।
মহাকোপে প্ৰহাৰিলা ভীমক লাগিয়া ॥
ভীমেও হানিলা একগোট বিপৰীত।
ঠেকা লাগি দুই গোট ভৈল চূৰ্ণাকৃত ॥ ২০৮
তাত পাছে দুইগোট ইন্দুৰ পৰিলা।
অসুৰৰ গাৱে পৰি উফৰিয়া গৈলা ॥
সৈন্যত পৰিলা যায় শিল ভয়ঙ্কৰ।
দুইলক্ষ সেনা মৰি গৈল যমঘৰ ॥ ২০৯
আৰো একখণ্ড শিলা হৰিষে হানিলা।
ভীমসেনে গদা ধৰি বাটতে ভাঙ্গিলা ॥

শুনিয়োক সভাসদ বনপৰ্ব্ব-কথা।
মানবী জনম পাই নকৰিয়ো বৃথা॥ ২১০
একচিত্ত মন কৰি শুনা সৰ্ব্বজন।
বনপৰ্ব্ব কথা ইটো অপূৰ্ব্ব কথন।
পঞ্চ পাণ্ডৱৰ যশ বঢ়ান্ত শ্ৰীহৰি।
মহাজন জনে যাক গাৱে ৰঙ্গ কৰি॥ ২১১
পৃথিবীৰ ভাৰ হৰি খণ্ডিলা আপদ।
মনুষ্যগণক দিলা পৰম সম্পদ॥
সবাৰো কেশত যে অন্তকে আছে ধৰি।
নামক নলৈয়া মৰে আত্মঘাত কৰি॥ ২১২
শুনা সামাজিক লোক এৰি মিছা ধাণ্ডা
পৰলোকে ৰাম-নাম-ধন গলে বান্ধা॥
বিলম্ব নকৰি সবে বোলা ৰাম ৰাম।
হেন নাম লৈয়া সবে সাধা মনস্কাম॥ ২১৩

---

* ধাণ্ডা — চিন্তা।

দুলড়ী

শুনা সভাসদ,　　　　বনপৰ্ব্ব-পদ,
সংসাৰৰ দুষ্ট-দণ্ড।
সেহি বেলা জঙ্ঘা-　　　　সুৰে মহাকোপে,
হানিলন্ত শিলাখণ্ড॥
ভীমেও তেখনে,　　　　একখণ্ড লৈয়া
হানিলা তাহাক লাগি।
দুয়ো খণ্ড যায়,　　　　মধ্যে ঠেকা খায়,
খণ্ড খণ্ড ভৈলা ভাগি॥　২১৪
আৰো শিলাখণ্ড,　　　　ধৰি জঙ্ঘাসুৰে,
ভীমক খেদিয়া গৈলা।
দেখি বৃকোদৰ,　　　　মহা ভয়ঙ্কৰ,
ক্রোধে অন্যখণ্ড লৈলা॥
জঙ্ঘাসুৰে বোলে,　　　　ভীম দুৰাচাৰ,
মোৰ বল বুজ তুই।
তোহোক নমাৰি,　　　　গৃহত নপশো,
অঙ্গীকাৰ কৰো মই॥　২১৫
এহি বুলি শিলা,　　　　খণ্ড প্রহাৰিলা,
চাহিলন্ত বৃকোদৰে।
জাম্পদিয়া সিটো,　　　　আলাগতে ধৰি,
হানিলন্ত চপকাৰে॥

জঙ্ঘাসুৰে দেখি, আগবাঢ়ি আসি,
হাসি হিয়া পাতি ৰৈলা।
তিনি বাৰ ঘূৰি, হৃদয়ত পৰি,
হুঁহকি ভূমিক গৈলা॥ ২১৬

শিলাৰ সন্ধানে, লোম নৰলিল,
জঙ্ঘাসুৰ বলিয়াৰ *।
হাসি হাসি পাছে, ভীমক মাতয়,
শুনৰে পাণ্ডু-কুমাৰ॥
লহাবীৰ তই, সবে বাখানয়,
প্ৰশংসে দেৱসকল।
মোৰ হাতে পৰি, চল যমপুৰী,
পাপীষ্ঠ দুষ্ট নিস্খল॥ ২১৭

তোৰ কোন দেৱ, মনে কৰা সেৱ,
ইবিলি মৰিবি প্ৰাণে।
এহি বুলি দুষ্টে, কোপে খেদি গৈলা,
ধৰিলন্ত বৰ টানে॥
উৰ্দ্ধক লাগিয়া, হানিলন্ত দলি,
মহাক্ৰোধে জঙ্ঘাসুৰে।
পঞ্চ যোজন, মান উধায় গৈল,
যেন শিল্পী-যন্ত্ৰ ঘূৰে॥ ২১৮

* বলিয়াৰ = বলী

হেন দেখি বায়ু, উপায় চিন্তিলা,
আতি বৰ মহাশ্ৰমে।
প্ৰচণ্ড বতাসে, ঘূৰাই ফুৰায়,
মাতিত থৈলন্ত লাসে॥
মহালীলা কৰি, মহীত পৰিলা,
বৃকোদৰ বীৰবৰে।
প্ৰাণ গৈল বুলি, জজ্ঘাসুৰ বীৰে,
নাদিলা আতি বিস্তৰে॥ ২১৯
নিচেষ্ট দেখিয়া, অসুৰে হাঁসয়,
মৰিল বায়ু-কুমাৰ।
কৰতালি বাই, ৰথ হন্তে যাই,
চাহিবে দিলা লৰৰ॥
কিবা জীউ গৈল, কিবা প্ৰাণ ৰৈল,
নিশ্চয় নাহি মনত।
এহি বুলি দুষ্ট, ৰাক্ষস গৰিষ্ঠ,
চাপিলা গৈয়া সমীপ॥ ২২০
ভীমেও দেখিলা, অসুৰ আসিলা,
আবে কোন বুদ্ধি কৰো।
হেন শুনি ভীমে, নিশ্বাস তেজিলা,
ইবেলি সমূলে মৰো।
অসুৰে দেখয়, কাটিব উচ্ছায়,
মানুষৰ প্ৰাণ গৈল।

নিহালয় * আতি, চাহে চতুৰ্ভিতি,
মনে বৰ ৰঙ্গ ভৈল ॥ ২২২
উলটি আসিয়া, সৰমা-তনয়,
পৰম কৌতুক মনে।
শঙ্খ, শিঙ্গা, যত, বাৱে নানামত,
জয় তাল ঘনে ঘনে ॥
মহীধৰ্ম্ম নামে, সাৰথি তেখনে,
যোগাইলা ৰথবৰ।
শত বৰাহৰ, মহাভয়ঙ্কৰ,
চলিলন্ত খৰতৰ ॥ ২২২
আৰ তিনি ভাই, ধনুশৰ লই,
আছয় ৰথত চড়ি।
তাহাকো মাৰিয়া, পেশো যমঘৰে,
জগত দিয়ো সত্যাৰি † ॥
নিশ্চয় স্বৰূপে, আস্ফোট ‡ কৰিয়া,
বৰাহৰ ৰথে চলি।
মহাদৰ্প কৰি, যায় জজ্ঞাসুৰ,
হাততে মুদ্গৰ ধৰি ॥ ২২৩

---

* নিহালয় = দেখে।

† সত্যাৰি = সইতাৰি, সতীযোৱা কাৰ্য্য।

‡ আস্ফোট = যুঁজৰ সময়ত বাহুত মৰা চাপৰ।

অৰ্জ্জুন, ভীম নকুলৰ, লগত জঙ্ঘাসুৰৰ যুদ্ধ

অৰ্জ্জুনে দেখয়, 		ৰাক্ষস আসয়,
মুদ্গৰক ধৰি কৰে।
অৰ্জ্জুনেও ধনু 		শৰ টঙ্কাৰিয়া,
হানিলন্ত চপকাৰে।*
জঙ্ঘা অসুৰৰ, 		মুদ্গৰক ছেদি,
বাহিৰিয়া গৈল শৰে।
দেখিয়া অসুৰ, 		ৰাক্ষস দুন্দুৰ,
নসহিলা কলেৱৰে॥ ২২৪
অৰ্জ্জুনক লাগি, 		শকতি হানিলা,
চমৎকাৰে খেদি গৈল।
পৱন সঞ্চাৰে, 		হৃদয়ত বিন্ধি,
পিঠি পাশে সৰকিল॥
মূৰ্চ্ছা যায় কতো- 		ক্ষণে সুস্থ ভৈল,
মহাবীৰ ধনঞ্জয়।
পুন্ত দশ শৰ, 		নকুলক লাগি,
হানিলন্ত দুৰাশয়॥ ২২৫
নকুলৰ মৰ্ম্ম- 		স্থল ভেদিলেক,
ৰাক্ষসৰ বাণ পৰি।
নকুল বীৰেও, 		নগণিয়া তাক,
কাঢ়িলা হাতে আজুৰি॥

* চপকাৰ = শীঘ্ৰে।

বৈশম্পায়ন মুনি, জন্মিজয় আগে,
সব প্ৰশংসিয়া কৈল।
ভাতৃব বিকল,* দেখি বায়ু-সুতে,
উঠি শাল বৃক্ষ লৈল॥ ২২৬
হাতে শাল বৃক্ষ, ধৰি বৃকোদৰ,
লাহে লাহে চলি গৈল।
সেহি বেলা ভীম- সেন মহাবলী,
ৰাজাৰ আগে ভেটিল॥
জঙ্ঘাসুৰে দেখি, বিস্ময় ভৈলন্ত,
এহি গোট বৃকোদৰ।
দুই হাতে ধৰি, দলে দলি হানি,
পেশি আছো যমঘৰ॥ ২২৭
মেলি হাত ভৰি, তৈতে আছে পৰি,
দেখি আসো বিদ্যমান।
সাক্ষাতে দেখিছো, মাখি উড়ি আছে,
নাসিকাত নাহি প্ৰাণ॥
তেন ভীমসেন, হাতে বৃক্ষ ধৰি,
আগে ভৈল উপস্থিত।
জানিলো অৱশ্যে, কিবা অথন্তৰ,
মিলিবেক বিপৰীত॥ ২২৮

---

*বিকল = ব্যাকুল

কিবা স্বপ্ন দেখো, মনুষ্যৰ মায়া,
গুণিয়া নপাওঁ তত্ত্ব।
প্ৰত্যক্ষে দেখিলো, মনত শঙ্কিলো,
ধৰিলা ধনু হাতত॥
যি হৌক সিহৌক, শক্তি প্ৰহাৰিয়া,
মাৰি পেশো যমঘৰ।
এহি বুলি ৰাজা, ক্ৰোধত জ্বলিয়া,
কৰিলা শক্তি প্ৰহাৰ॥ ২২৯
বেগে চলি গৈয়া, ভীমৰ হিয়াত,
পৰি পিঠি বাজ ভৈল।
অৰ্জ্জুনৰ হিয়া, বিদাৰ কৰিয়া,
নকুলক খেদি গৈল॥
নকুলৰ মৰ্ম্ম- স্থল ভেদি যায়,
সহদেৱক দিলা ধাৰ*।
সহদেৱৰ বুকে, উফলি পৰিল,
পুনঃ পুনঃ সাতবাৰ॥ ২৩০
মহা দুঃখে সহ- দেৱ মূৰ্চ্ছা গৈল,
পুনঃ শক্তি বাজ ভৈল।
দুই সাৰথিৰ, হিয়া বিদাৰিয়া,
উলটি তূণে পশিল॥

---

*ধাৰ—পেদি যোৱা কাৰ্য্য।

হেনয় অদ্ভুত, দেখি দেৱগণে,
কৰে হাহাকাৰ ৰোল।
জজ্মাসুৰ আদি, যত সৈন্যমানে,
বেঢ়ি বাৱে ঢাক ঢোল॥ ২৩১
মুহূৰ্ত্তকে ভীমে, চেতন লভিয়া,
হৰি স্মৰি সুস্থ ভৈল।
আৰো তিনি ভাই, পৰিয়া আছিল,
চেতন লভি উঠিল॥
মহা ক্রোধে ভীম, দেখি যেন যম,
চাৰি দণ্ড পন্থ হয়।
হেন ভয়ঙ্কৰ, একখণ্ড শিলা,
হানিলন্ত মহাশয়॥ ২৩২
পবন সঞ্চাৰে, চমৎকাৰে গৈল,
ৰথৰ মাজে পশিল।
মহীধন নামে, সাৰথি সহিতে,
ৰথখান চূৰ্ণ ভৈল॥
জাম্প দিয়া ৰাজা, ভূমিত পড়িলা,
অদ্ভুত দেখিয়া আতি।
মহা ভয়ানক, শিলাখণ্ড পৰি,
থৈলেক ৰথক জান্তি*॥ ২৩৩

*জান্তি — হেঁচি লগাই থোৱা।

PLEASE HANDLE THE BOOK CAREFULLY.

শুনা সব নৰ, কথা মনোহৰ,
পদ জঙ্ঘাসুৰ বীৰ।
ইহাক শ্ৰৱণে, পাপ সমস্তৰ,
গুচয় জানিবা স্থিৰ॥
যত শত্ৰুচয়, সিয়ো হোৱে ক্ষয়,
কলিমল হোৱে নাশ।
মাধৱৰ নিজ, চতুৰ্ভুজ পাই,
লোৱে বৈকুণ্ঠত বাস॥ ২৩৪
অপূৰ্ব্ব কথন, আত দিয়া মন,
মোক ক্ৰোধ নকৰিবা।
শাস্ত্ৰ সাৰ চাই, যদি কথা নাই,
তেবেসে মোক নিন্দিবা॥
অনেক ব্ৰাহ্মণ, সুন্দৰ দেখিয়া,
সুৱৰ্ণক অভিলাষে।
হৰিদ্ৰাক লৈয়া, পৰম আনন্দে,
আসিলা ভাৰ্য্যাৰ পাশে॥ ২৩৫
সুৱৰ্ণ বুলিয়া, হৰিদ্ৰাক লওঁ,
ভৈলো মই ভ্ৰম অতি।
ভাব-ভুষ এৰি,* বোলা হৰি হৰি,
তেবেসে হৈবেক গতি॥ ২৩৬

---

*ভায-ভুষ = মিছা-মিছি।

পদ

সহদেৱৰ হাতত জঙ্ঘাসুৰৰ পতন

মুনিয়ে বোলন্ত ৰাজা শুনা নৃপবৰ ।
ধৰ্ম্মৰ ৰথ ভাঙ্গিলন্ত বৃকোদৰ ॥
মহাদুখে নৃপতিৰ সংজ্ঞা নাযায় ।
কান্দিলন্ত সাৰথিৰ গুণক বৰ্ণায় ॥ ২৩৭
ৰথ সমন্বিতে মহীধৰ্ম্মক মৰালো ।
এবেসে জানিলো মই সমূলে মৰিলো ॥
সেহি বেলা অজপতি সাৰথি তেখনে ।
ভেড়া ছাগলৰ ৰথ সাজি তেতিক্ষণে ॥ ২৩৮
দুইশত ভেড়াক দেখন্তে মহাভয় ।
মাখি পৰিলেও শৃঙ্গে দোহাৰ হোৱয় ॥
আথে বেথে নৃপতিক যোগাইলা নিয়া ।
সাৰথিক প্ৰশংসি উঠিল জাম্প দিয়া ॥ ২৩৯
প্ৰচণ্ড বতাসে যেন কদলী কম্পয় ।
প্ৰমত্ত ৰথত চড়ি জঙ্ঘা দুৰাশয় ॥
ভীমক মাতয় জঙ্ঘাসুৰ নিশাচৰ ।
তোহোক ইবাৰ মই নিবো যমঘৰ ॥ ২৪০
এহি বুলি ধনুধৰি মহাদৰ্প কৰি ।
সহদেৱে ভেটিলা ভীমৰ আগবাঢ়ি ॥
এতহন্তে মহাবীৰ সৰমা-তনয় ।
অযুত নিযুত লক্ষ বাণ বৰিষয় ॥ ২৪১

সেহি বেলা কোপে সহদেৱ বীৰবৰ।
পঞ্চপাত ক্ষুৰ-তীক্ষ্ণ বাণ ভয়ঙ্কৰ॥
ধনুখান হাততে কাটিলা একশৰে।
দুইশৰে দুইতূণ কাটিলা সত্বৰে॥ ২৪২
একগোট শৰে আৰো বাহুক কাটিলা।
আৰো শৰ বুকে পৰি ভোটা হুই গৈলা॥
দুই বাহু সমে আদ্য শিৰ গোট আছে।
যুধিষ্ঠিৰে যি কৰিলা শুনা তাত পাছে॥ ২৪৩
যুদ্ধক পঠায় যুধিষ্ঠিৰ মহাশান্ত।
যাজ্ঞবল্ক্য ঋষিৰ আশ্ৰমে আছিলন্ত॥
তথাতে আছন্ত কতোমান মহাঋষি।
ঈশ্বৰৰ গুণ গাই থাকন্ত হৰিষি॥ ২৪৪
মহাৰঙ্গে তথাত আছন্ত মহীৰায়।
চাৰি ভাইক স্মৰন্তে দণ্ডে যুগ যায়॥
দ্রুপদ-নন্দিনী সমে গুনিয়া থাকিলা।
দশ দিন বহি গৈল তথাপি নাসিলা॥ ২৪৫
দ্বিতীয় প্ৰহৰ যায় শেষ ৰাত্ৰি ভৈল।
সেহি সময়ত ৰাজা স্বপ্নক দেখিল॥
চাৰিৰো হৃদয়ে দেখে চাৰিটা মাহুত।
নকৰিলে যুদ্ধ তেভো কৰাও বহুত॥ ২৪৬
কথা শুধিলেও চাৰি ভাই নমাতয়।
উলটিয়া চাৰিজনে শিলক ডাঙ্গয়॥

বৰ বৰ শিল ভাঙ্গি গুড়ি কৰি লয় ।
মুষ্টি কৰি চাৰি জনে উৰ্দ্ধক ক্ষেপয় ॥ ২৪৭
ৰজনী পোহায় ৰাজা জাগিলন্ত তথা ।
যাজ্ঞবল্ক্য ঋষিত কহিলা স্বপ্নকথা ॥
যোগবলে যাজ্ঞবল্ক্য ৰাজাত কহিলা ।
ভাৰ সংহৰিবে চাৰি অৱতাৰ ভৈলা ॥ ২৪৮
বাহুত দেখিলা যিটো পৰম ঈশ্বৰ ।
শুভাশুভ ফল ভুঞ্জাৱন্ত জগতৰ ॥
বৰ বৰ শিল যিটো জগতৰ বীৰ ।
তাক মাৰি খণ্ডিবেক ভাৰ ধৰণীৰ ॥ ২৪৯
উৰ্দ্ধক ক্ষেপিলা যিটো শিলা গুড়ি যত ।
সগৰে পৰিয়া সবে ৰহিব স্বৰ্গত ॥
হেন জানি তোমাৰ কুশল ধৰ্ম্মৰাজ ।
ৰণ-যজ্ঞ চাহিবাক শীঘ্রে হোৱা বাজ ॥ ২৫০
এহি বুলি যাজ্ঞবল্ক্য ঋষি লৰিলন্ত ।
উত্তৰক মুখে তিনি জন চলিলন্ত ॥
যাহন্তে যাহন্তে যাজ্ঞসেনী ভাগৰিলা ।
তিনি দিনে বৈদৰ্ভ দেশত প্ৰবেশিলা ॥ ২৫১
অনন্তৰে পাইলা যায় নগৰৰ কোল ।
ৰণভূমি পশিলা সৈন্যৰ শুনি ৰোল ॥
সহদেৱ জজ্ঘাসুৰে যুজিয়া আছন্ত ।
এতহন্তে চাৰিও জ্যেষ্ঠক দেখিলন্ত ॥ ২৫২

আথে বেথে সমীপ চাপিলা তেতিক্ষণে।
কৰিলা প্ৰণাম পৰি ধৰ্ম্মৰ চৰণে॥
জজ্ঘাসুৰ সহিতে যেহেন যুদ্ধ ভৈলা।
ৰাজাৰ আগত সব বৃত্তান্ত কহিলা॥ ২৫৩
শুনি যুধিষ্ঠিৰ কৰিলন্ত আশীৰ্ব্বাদ।
কদাপিয়ো সমৰত নহোক প্ৰমাদ॥
যুজিবাক লাগি ভীমে শিলা এক লৈল।
পাছ হোৱা বুলি সহদেৱক মাৰিল॥ ২৫৪
অসুৰক লাগি ভীমে প্ৰহাৰ কৰিল।
কালপাশ শৰ হানি শিলা উকুৱাইল॥
শিলা উকুৱায় সিটো কালপাশ শৰ।
ভীমক মুখত কৰি নিলা বহুদূৰ॥ ২৫৫
শীঘ্ৰ বেগে নিয়া শৰে ৰথত তুলিল।
দেখি জজ্ঘা অসুৰৰ আনন্দ মিলিল॥
আকাশৰ চন্দ্ৰ যেন বালকে ধৰিল।
কালপাশ শৰক বহুত প্ৰশংসিল॥ ২৫৬
সহদেৱ নকুলক আনিবাক মনে।
একে দেৱেঁ ৰথৰ নামিলা তেতিক্ষণে॥
তিনি ভাইক আনিবে অসুৰে খেদিলা।
পাছে ভীমসেনে সাৰথিক যি কৰিলা॥ ২৫৭
সাৰথিক চাই ভীমে দিলন্ত উত্তৰ।
তোক আজি নিবো মই যমৰ দুৱাৰ॥

তুমি আমি একে ভাই নোহে ভিন্ন পৰ।
ভিনে ভিনে যত সৃজি আছে সৃষ্টিকৰ॥ ২৫৮
তথাপিতো কহো মিত্র সময়ৰ বেলা।
আমাক এৰিয়া দিয়া নকৰিবা হেলা॥
এহি গোট গদা মোৰ সহস্র লোহাৰ।
আক ভাঙ্গি যুজিবাক শকতি কাহাৰ॥ ২৫৯
এহি বুলি বৃকোদৰে গদাক ধৰিলা।
অজপতি সাৰথিক কোবাই মাৰিলা॥
ৰথৰক্ষা সেনা সবে দিলেক লৰৰ।
কোবাই ভাঙ্গিলা ৰথ প্রমত্ত ভেড়াৰ॥ ২৬০
সেহি বেলা জঙ্ঘাসুৰে নকুলক ধৰি।
অৰ্জ্জুনক ধৰিবাক যায় লীলা কৰি॥
হেন দেখি বৃকোদৰ লৰৰিয়া গৈল।
ৰাক্ষসৰ পাশে যায় আভাসেক দিলা॥ ২৬১
অসুৰৰ দুই কৰ্ণে তালিকা* লাগিলা।
নকুলক এৰি দুই কৰ্ণত ধৰিলা॥
ভূমিকম্প যাস্তে যেন ভূমি নোহে স্থিৰ।
টলটি দেখয় ৰাজা ভীমসেন বীৰ॥ ২৬২
আথে বেথে শাল বৃক্ষ উভাৰিয়া লৈলা।
শৰীৰৰ বলে একেকোবক বসালা॥

---

*তালিকা—কাণত সোপা লগা যেন বোধ।

ভীমেয়ো প্ৰহাৰ কৰিলেক বিপৰীত ।
মহাছোটে গদা-বৃক্ষ ভৈল চূৰ্ণাকৃত ॥ ২৬৩
অস্ত্ৰ চূৰ্ণ ভৈল দেখি মাল-বান্ধে ধাৰি ।
ধৰণীত পৰি কৰে বাগৰা বাগৰি ॥
ভূকু কীল প্ৰহাৰ কৰয় থাত্ থাত্ ।
বজ্ৰৰ উপৰে যেন পৰে বজ্ৰাঘাত ॥ ২৬৪
যি থানত পৰে তাৰ চৰণ প্ৰহাৰ ।
সৰোবৰ সম হোৱে বহলে বিস্তৰ ॥
ভীমৰ গাৱত বৰ বেদনা কৰয় ।
তথাপিতো ভীমে গণাগণ নকৰয় ॥ ২৬৫
এহিমতে ঘোৰ যুদ্ধ মিলি গৈল পাছে ।
আকাশত দেৱগণে ৰঙ্গে চাহি আছে ॥
জঙ্ঘা অসুৰৰ মৃত্যুসময় মিলিল ।
শুনা জন্মিজয় পাছে যেন কথা ভৈল ॥ ২৬৬
আকাশত ৰঙ্গে চাহি আছে দেৱগণে ।
সেহি বেলা কহিলন্ত আকাশী বচনে ॥
জঙ্ঘাসুৰে বৰ লভি আছয় হৰত ।
নাহিকে মৰণ তাৰ অস্ত্ৰত শস্ত্ৰত ॥ ২৬৭
বহুভাৱে পূজা কৰি মাগিলন্ত বৰ ।
মোহোৰ শৰীৰ হৌক বজ্ৰ সমসৰ ॥
দেৱাসুৰে যক্ষে ৰক্ষে নপাৰোক বলে ।
অনেক বীৰক যেনো জিনিবো অকলে ॥ ২৬৮

তাহাৰ পূজাত তুষ্ট ভৈলা মহেশ্বৰ।
দিলা বৰ হৌক বজ্ৰসম কলেৱৰ॥
কিন্তু অল্প ললাটত মনুষ্যক ভয়।
হেন শুনি জঙ্ঘাসুৰ ৰঙ্গ আতিশয়॥ ২৬৯
মনুষ্য পাইলে তাক কৰোহো ভোজন।
অল্প মনুষ্যক তাক নকৰো গণন॥
মাতৃস্তন পান নাহি কৰে যিটো জন।
সিজনৰ হাতে হৈব ইহাৰ মৰণ॥ ২৭০
মহাশান্তি আঙ্গুষ্ঠি দেৱৰ আছে পাই।
লক্ষ কৰি সন্ধানে মাৰিবে ছেগচাই॥
এহি বুলি মৌন ভৈলা দেৱতাৰ দেৱ।
সহদেৱে শুনিলন্ত নুশুনিল কেৱ॥ ২৭১
দেৱতাৰ শুনি হেন স্বৰূপ বচন।
সহদেৱ বীৰৰ আনন্দ ভৈল মন॥
মহাশান্তি দ্ৰৌপদীক আতি দয়াতৰে।
হেন আঙ্গুষ্ঠিক দিয়া আছে দিবাকৰে॥ ২৭২
উলটিয়া সহদেৱ আসিলন্ত ফিৰি।
যুধিষ্ঠিৰ নৃপতিক নমস্কাৰ কৰি॥
দ্ৰৌপদীৰ আগে কহিলন্ত পূৰ্ব্বতত্ত্ব।
সূৰ্য্যৰ আঙ্গুষ্ঠি আছে তোমাৰ হাতত॥ ২৭৩
দিয়োক সত্বৰে গৈয়া বধো ৰাক্ষসক।
নিজেও সাজি পাৰি ওলাইলা ৰণক॥

সূৰ্য্যৰ আঙ্গুষ্ঠি সূৰ্য্য সম প্ৰকাশন্ত ।
সহদেৱে প্ৰণামিয়া মাথাত লৈলন্ত ॥ ২৭৪
যেন মহাসূৰ্য্যগোট ভূমিত পৰিল ।
ৰশ্মি লাগি সমস্তৰে কান্তি দূৰ ভৈল ॥
ঘনে ঘনে তিনিবাৰ মেদিনী লৰিল ।
যত নদী নদ সবে উলটি বহিল ॥ ২৭৫
জঙ্ঘা অসুৰৰ তেজ শক্তি ভৈল দূৰ ।
ভীম সমে মাল যুদ্ধ এৰিলা অসুৰ ॥
বৈশম্পায়ন বোলে পৰীক্ষিত তনয় ।
তথাপিতো তাৰ মহতালি নুগুছয় ॥ ২৭৬
অনন্তৰে শাল বৃক্ষ ধৰি মহাবলী ।
সহদেৱক খেদি গৈল ৰহ ৰহ বুলি ॥
অগ্নিত পতঙ্গ যেন জাস দেয় যায় ।
সেহিমতে অসুৰৰ শ্ৰুতি জ্ঞান নাই ॥ ২৭৭
দোষ এৰি সহদেৱে বচন বোলয় ।
শুন অৰে জঙ্ঘাসুৰ কথা কহো মই ॥
সন্মুখ সমৰে আজি তোক দিওঁ ঠাই ।
তিনি বাৰ সহদেৱে বচন বোলয় ॥ ২৭৮
গুৰু গৌৰবক সুমৰিয়ো দুৰাশয় ।
ব্ৰহ্মা আদি কৰি ৰাখন্তোক কেহো নাই ॥
তথাপিতো নগণিয়া আসে গহ কৰি ।
বিদ্যুত সঞ্চাৰে আসে শাল বৃক্ষ ধৰি ॥ ২৭৯

সেহি বেলা সহদেৱে কৰিলা প্ৰহাৰ।
অসুৰক ঢাকিলন্ত সূৰ্য্যৰ আকাৰ॥
ললাটত পৰি তালু পন্থে বাজ ভৈল।
নিজ ৰূপ ধৰিয়া সূৰ্য্যৰ পন্থে গৈল॥ ২৮০
যেহি বেলা অসুৰৰ ললাট ভেদিলা।
পৰ্ব্বত আকাৰে যেন ঢলিয়া পৰিলা॥
হাত ভাৰি আছাৰিয়া উৰ্দ্ধমুখ কৰি।
নিমিষেকে প্ৰাণ গৈল পৃথিবীত পৰি॥ ২৮১
জঙ্ঘাসুৰ মহাবীৰ ৰণত পৰিল।
চৈধ্য হাত মান ভূমি তেখনে উঠিল॥
জয় জয় কৰে দেখি দেৱতা সকল।
ৰণত পৰিলা জঙ্ঘাসুৰ মহীপাল॥ ২৮২
ধন্য সহদেৱ বীৰ মাদ্ৰীৰ তনয়।
সবে দেৱগণে দুৰ্ব্বা পুষ্প বৰিষয়॥
জঙ্ঘাসুৰ মৰি যেবে গৈলা যমঘৰ।
দেখি ৰাক্ষসৰ সেনা কৰে হাহাকাৰ॥ ২৮৩
লোম নলৰিল যাৰ শিলাৰ সন্ধানে।
ৰৰ ছিদ্ৰে আঙ্গুষ্ঠি পড়িয়া গৈল প্ৰাণে॥
শঙ্কৰৰ বৰে অসুৰৰ গৈলা প্ৰাণ।
দেখি সাধু সমস্তৰ উল্লাসিলা মন॥ ২৮৪

জঙ্ঘাসুৰৰ জন্ম বৃত্তান্ত

জন্মিজয় বোলে মোৰ সংশয় মিলিল।
সৰমাত কেনে জঙ্ঘাসুৰ উপজিল॥

মুনিয়ে বোলন্ত ৰাজা শুনিয়ো প্ৰস্তুত।
জম্ভাসুৰ জন্ম কথা শুনিতে অদ্ভুত॥ ২৮৫
সৰমা ৰাক্ষসী তাই মায়াত পাৰ্গত।
গৰু মানুষক খায় ফুৰয় বনত॥
সেহি বনমধ্যে মধুঋষি মহাঋষি।
তপস্যা কৰিয়া তৈতে আছন্ত হৰিষি॥ ২৮৬
সেহি বনমধ্যে তাই ভৈল উপগত।
দুই ৰূপ ভৈল তৈতে আলোচি মনত॥
মদনে দগধ ভৈল তাইৰ শৰীৰ।
এক ৰূপে ভৈল তাই সৰ্প ভয়ঙ্কৰ॥ ২৮৭
আৰ এক ৰূপে ভৈল যুৱতী সুন্দৰী।
পৰম লাবণ্যা যেন ষোড়শ বছৰি॥
মদনে আকুল চিত্ত কৰে উতপাত।
আগবাঢ়ি ঋষিক তাই দিলেক মাত॥ ২৮৮
তথাপিতো যোগ নভাঙ্গয় ব্ৰাহ্মণৰ।
কনিষ্ঠ আঙ্গুষ্ঠি পাছে ছুলা কলেৱৰ॥
তেতিক্ষণে ব্ৰাহ্মণৰ ভাঙ্গিলা ধিয়ান।
দেখি সৰমাৰ কামানলে দহে প্ৰাণ॥ ২৮৯
হেথ মাথ কৰি তাই বোলয় বচন।
তুমি হেন মহাঋষি মৰা অকাৰণ॥
তোমাৰ দয়াত মই চাপিলো ওচৰ।
গিলিবাক লাগি আসে সৰ্প ভয়ঙ্কৰ॥ ২৯০

মাটিত পৰিয়া আছে মেলি তল ঠোট ।
মেঘত লাগিল যাই উপৰৰ ঠোট ॥
জিহ্বা খান প্রকাশয় যেন ৰাজ আলি ।
গড় গড় কৰি মাতে পেট আছে খালী ॥ ২৯১
ৰক্তবর্ণ চক্ষু দুই অগনি পৰায় ।
ফেট জুৰি তোমাসাক ক্রোধে আসে ধায় ॥
সৰমা বদতি দ্বিজ শুনিয়ো বচন ।
তোমাৰ তপৰ দিন নতু এতিক্ষণ ॥ ২৯২
সাধু সমস্তৰ যেন শাস্ত্র ব্যৱহাৰ ।
তোমাৰ আগত কহোঁ এহি তত্ত্ব সাৰ ॥
শৰীৰেসে আদ্য বিদ্যা ধর্ম্ম সাধিবাক ।
যদি বধ নযাইবা শুনা সত্য বাক ॥ ২৯৩
মই বাধা কৰো সর্প হৌক নিবাৰণ ।
সত্বৰে মোহোক তুমি কৰা আলিঙ্গন ॥
সর্প-ভয় বিনাশ অৱশ্যে হুইবেক ।
তোমাৰ ঔৰষে মোৰ পুত্র উপজোক ॥ ২৯৪
এহি বুলি স্বামী ভাৰে বচন বোলয় ।
গোবিন্দৰ লক্ষ্মী যেন শৰীৰ জ্বলয় ॥
কতো মিচিকিয়া হাসি ব্যক্ত কৰে স্তন ।
মদনে উৎপাত ভৈল তপস্বীৰ মন ॥ ২৯৫
ওচৰ চাপিয়া হাঁসি হাঁসি দেয় মাত ।
দেখি মধুঋষি ভৈলা কামে উনমত্ত ॥

তোমাৰ সাফল হোক নবীন যৌৱন ।
আসিয়ো সুন্দৰী হেৰা কৰোঁ আলিঙ্গন ॥ ২৯৬

কতো বেলি লভি দুই চেতন শৰীৰে ।
বাহু চান্দে কৰিলন্ত ষোড়শ শৃঙ্গাৰে ॥

দাৰুণ মদনে পাছে এৰায় ৰাক্ষসী ।
আনো নানা বনে ফুৰে পৰম হৰিষি ॥ ২৯৭

ভৈল গৰ্ভৱতী তাই ঋষি বীৰ্য্য ধৰি ।
গৰু মানুষক তাই ফুৰে ভক্ষ কৰি ॥

হাজাৰ বৎসৰ মান গৰ্ভত আছিল ।
ভ্ৰমিয়া কুৰন্তে জঙ্ঘাসুৰ উপজিল ॥ ২৯৮

হাজেৰেক শিৰ তাৰ দেখি লাগে ভয় ।
স্তনক পিয়ন্তে জানো মোহক গিলয় ॥

মহা ভয় হুই তাই লৰৰি পলায় ।
ফল মূল ভুঞ্জি শিশু শৰীৰ বঢ়ায় ॥ ২৯৯

পাছে জঙ্ঘাসুৰে শঙ্কৰক আৰাধিলা ।
তুষ্ট হুয়া মহাদেৱে ইষ্ট বৰ দিলা ॥

দেৱাসুৰ যক্ষ ৰক্ষে নপাৰোক বলে ।
অসংখ্যাত ৰাজা তই জিনিবি অকলে ॥ ৩০০

কিন্তু ললাটত অল্প মনুষ্যক ভয় ।
বৰ পাই জঙ্ঘাসুৰে কাকো নুগুণয় ॥

সামৰণি

বৈশম্পায়ন বদতি শুনা জন্মিজয় ।
জঙ্ঘাসুৰ বধ কথা কহিলো নিৰ্ণয় ॥ ৩০১

বীৰৰ উপৰি বীৰ কালৰ যে কাল।
সত্বৰে হৰিক ভজা এৰি আল জাল॥
যিটো জঙ্ঘাসুৰ বীৰ ত্ৰৈলোক্য বিজয়।
তাহাকে পাণ্ডৱে কিনো বধিতে পাৰয়॥ ৩০২
পৰম ভকত তাৰা পঞ্চ যে পাণ্ডৱ।
ভকতৰ মহিমাক বঢ়ান্ত মাধৱ॥
ভাৰ সংহাৰিলা আসি হৈয়া অৱতাৰ।
এতেকে ভক্তৰ যশ কৰিলা প্ৰচাৰ॥ ৩০৩
নজানোহো সেৱা নজানোহো স্তুতি নতি।
আপোনাৰ গুণে তুষ্ট হৈবা লক্ষ্মীপতি॥
ইবেলি আমাৰ দোষ ক্ষমা কৰিয়োক।
তোমাৰ চৰণে মোৰ সদা ৰতি হৌক॥ ৩০৪
সন্তৰ সঙ্গতে থাকি মুখে বোলা ৰাম।
হৰি হৰি বুলি সবে স্মৰা ৰাম ৰাম॥ ৩০৫

—অন্ত—

Library books will give you joy for long
if handled carefully with clean hands